# খোলাভূএগ্রা পৰিৱেশ-উন্নয়ন সমিতি

**গুৱাহাটী বন্যপ্ৰাণী অভয়াৰণ্য, গুৱাহাটী**

# ক্ষুদ্ৰ পৰিকল্পনা

**(২০১৬-১৭ৰ পৰা ২০২৫-২৬লৈ)**

**প্ৰস্তুতকৰ্তা**

খোলাভূএগ্রা পৰিৱেশ-উন্নয়ন সমিতি (EDC)

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)
[আই আই ই (IIE), আৰ জি ভি এন (RGVN) আৰু চি এম এল (CML)]

অনুমোদন

Divisional Forest Officer
Guwahati Wildlife Division
Guwahati-29

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ চি এফ (ACF) | সহকাৰী বন সংৰক্ষক (এছিচটেণ্ট কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেন্সাইজি ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ প্ৰভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' প্ৰভাৰ্টী লাইন) |
| চি চি এফ (CCF) | মুখ্য বন সংৰক্ষক (চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এফ (CF) | বন সংৰক্ষক (কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ (চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| চি অ' এম পি ই এল অ' (COMPELO) | কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ডি চি এফ (DCF) | উপ-বন সংৰক্ষক (ডেপুটী কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ-উন্নয়ন সমিতি (ইক' ডেভেলপমেণ্ট ছ'চাইটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্‌ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গভৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই ই চি (IEC) | তথ্য শিক্ষা আৰু যোগাযোগ (ইনফৰমেচন এডুকেশ্যন এণ্ড কমিউনিকেশ্যন) |

| | |
|---|---|
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন প্ৰৱন্ধন সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| কাজিৰঙা নেচনেল পাৰ্ক (KAZIRANGA NATIONAL PARK) | কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান |
| কে টি আৰ (KTR) | কাজিৰঙা  ব্যাঘ্ৰ ৰিজাৰ্ভ (কাজিৰঙা টাইগাৰ ৰিজাৰ্ভ) |
| এল বি  (LB) | লাওখোৰা বুঢ়াচাপৰি |
| এম ডি আৰ (MDR) | প্ৰধান জিলা পথ ( মেজৰ ডিষ্ট্ৰিক্ট ৰোড্‌ছ) |
| এম জি এনৰেগা (MGNREGS) | মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি (মহাত্মা গান্ধী নেচনেল ৰয়েল এমপ্লইমেণ্ট গেৰাণ্টি স্কিম) |
| এম অ' ই এফ চি চি (MoEFCC) | পৰিৰেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (মিনিষ্ট্ৰী অব্ এনভাইৰ'নমেণ্ট, ফৰেষ্ট এণ্ড ক্লাইমেট চেঞ্জ) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৰাৰ্ড ক্লাছেছ) |
| অ' ডি আৰ  (ODR) | অন্য জিলা পথ (আদাৰ ডিষ্ট্ৰিক্ট ৰোড্‌ছ) |
| পি চি চি এফ (PCCF) | প্ৰধান মুখ্য বন সংৰক্ষক (প্ৰিন্সিপাল চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| পি এইচ চি  (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| আৰ ই ডি ডি + (REDD+) | ৰিডিউচিং ইমিছন ফ্ৰম ডি-ফৰেষ্টচন এণ্ড ফৰেষ্ট ডিগ্ৰেডেছন প্লাছ |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ অ'  (RO) | বনাঞ্চলিক বিষয়া ( ৰেঞ্জ অফিচাৰ) |
| এছ চি  (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | বহনক্ষম উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেণ্ট গ'ল্‌ছ) |
| এছ এল এফ  (SLF) | বহনক্ষম জীৱিকা গঠন (ছাছটেইনেবল লাইভলিহুড  ফ্ৰেমৱৰ্ক) |
| এছ পি পি (Spp) | স্পেচিছ |
| এছ টি  (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| এছ ডব্লিউ অ' টি (SWOT) | সবলতা, দুৰ্বলতা, সুবিধা আৰু শংকা ( ষ্ট্ৰেংথ, উইৰকনেছ, অ'পৰচুউনিটি এণ্ড থ্ৰেট) |
| টি ভি (TV) | টাউংগ্যা গাঁও |
| টি ভি  (TV) | টেলিভিছন |
| ডব্লিউ এল এছ  (WLS) | বন্যপ্ৰাণী অভয়াৰণ্য (ৱাইল্ড লাইফ ছেংচুৰী) |
| ডব্লিউ পি এ (WPA) | বন্যপ্ৰাণী (সংৰক্ষণ) আইন, ১৯৭২ (ৱাইল্ডলাইফ (প্ৰ'টেকচন) এক্ট-১৯৭২) |
| ডব্লিউ পি চি (WPC) | কাৰ্যকৰী পৰিকল্পনা চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |

# গছ, জোপোহা গছ, ঘাঁহ-বন-লতা আদিৰ স্থানীয় আৰু বৈজ্ঞানিক নাম

| ক্ৰমিক নং | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| ১ | চাম | আৰ্টোকাৰ্পাছ লেকুচা ৰখবি |
| ২ | কঁঠাল | আৰ্টোকাৰ্পাছ ইণ্টিগ্ৰেফ'লিয়া লিন্ |
| ৩ | বেল | আয়েগ্‌ল মাৰ্মেলছ কাৰ |
| ৪ | ছতিয়ানা | এলষ্টোনিয়া স্কলাৰছ ব্ৰাউন |
| ৫ | হেলচ | এণ্টিডেছমাগেছ এম্বিলিয়া গোৰেৰ্টেন |
| ৬ | পানী হেলচ | এণ্টিডেছমাগেছ এম্বিলিয়া গোৰেৰ্টেন |
| ৭ | শিমলু | বোম্বাক্সাচেইবা কিচি |
| ৮ | সোণাৰু | কেছিয়া ফিষ্টুলা লিন্ |
| ৯ | ঔটেঙা | ডিলেনিয়া ইণ্ডিকা লিন্ |
| ১০ | আমলখি | এমব্লিকা অফিচিয়েল্‌নিছ গায়েৰ্টেন |
| ১১ | বৰগছ | ফিকাছ বেঙ্গলেনছিছ লিন্ |
| ১২ | ডিমৰু | ফিকাশ্বিস্পিডা লিন্ |
| ১৩ | কুঁজি থেকেৰা | গাৰ্চিনিয়া কোৱা ৰক্সবি |
| ১৪ | বাঘনলা | লিটছায়েছে বিফেৰা পাৰ্ছ |
| ১৫ | আজাৰ | লেজেৰষ্ট্ৰোমিয়াফ্ল'ছৰেগেন্স পাৰ্ছ |
| ১৬ | জিয়া | লানায়েগ্ৰেণ্ডিছ এ ৰিচ্ |
| ১৭ | ইউআত, মুগা | লিট ছায়েৰা পলিয়াস্থা জুছ্ |
| ১৮ | আম | মেঙ্গিফেৰা ইণ্ডিকা লিন্ |
| ১৯ | ক'লা জামু | ছিজিগিয়াম ক্যুমিনি (এল) স্কিলছ |
| ২০ | আমৰা | স্পাণ্ডিয়াম্পিন্নাটাল এফ কুৰ্জ্ |
| ২১ | ভোমোৰা | টাৰ্মিনেলিয়া বেলেৰিকা ৰক্সবি |
| ২২ | শিলিখা | টাৰ্মিনেলিয়া চেবুলা, ৰেট্‌জ্ |
| ২৩ | তেতেলি | টেমাৰিণ্ডাছ ইণ্ডিকা লিন্ |
| ২৪ | ভেলকৰ | ট্ৰেৰিয়ানিউডিফ্লোৰা লিন্ |
| ২৫ | বগৰী | জিজিফাছ মৌৰিটানিয়া লেম্‌ক্ |
| ২৬ | কদম | এন্থোচেফালাছ কদম্ব মিক্ |
| ২৭ | বৰথেকেৰা | গাৰ্চিনিয়া পেডানকুলাটা ৰক্সবি |
| ২৮ | তিতাচপা | মিচেলিয়া চম্পক লিন্ |
| ২৯ | তেতা | ভিটেক্স কেনেচেনছ কুৰ্জ |
| ৩০ | মদাৰ | এৰিথ্ৰিনা ষ্ট্ৰিক্‌টা ৰক্সবি |
| ৩১ | টেঙাবৰ | ফিকাছ জেনিকুলাটা কুৰ্জ্ |

## গুল্ম

| | | |
|---|---|---|
| ১ | হাত-থেংগা | কাছিয়া অ'ক্সিডেণ্টালিছ লিন্ |
| ২ | এৰাগছ | ৰিচিনাচ'ম মিউনিছ লিন্ |
| ৩ | পানী ভোটোৰা | ইপ'মায়েয়া কৰ্ণিয়া জেক |
| ৪ | শন বৰলুৱা বা ছেকামৰা | উৰেনালোব'টা লিন্ |
| ৫ | দীঘলতী | লিটছায়েয়া ছোলছিফ'লিয়া ৰক্সবি |
| ৬ | মাখিলতী | ফ্লেমিঙ্গিয়া ষ্ট্ৰবিলিফেৰা আৰ বিআৰ |
| ৭ | হৰুমইন | ফেগেৰলেণ্ডিয়া ফেচিকুলাট টিৰুভ |
| ৮ | আবুটেঙা | এণ্টিডেছমা এচিডাম ৰেট্‌জ্ |
| ৯ | ভেটতিতা | ছোলানাম টোৰভাম ছোৱাৰ্ট্‌জ্ |
| ১০ | আগৰ | জান্থিয়াম ষ্ট্ৰুমাৰিয়াম লিন্ |

## ভেষজ উদ্ভিদ

| | | |
|---|---|---|
| ১ | মাটিকাদুৰি | অলটাৰমেন্থাৰা ছেছিলিছ (এল) বি আৰ |
| ২ | খুতুৰা | আমাৰান্থাছভিৰ্ডিছ লিন |
| ৩ | জম-লাখুটি | ক'ষ্টাছ স্পেচিয়াছ এছএম |
| ৪ | কণা শিমলু | কাম্মে লিনা ডিফুছা বৰুণ এফ |
| ৫ | হেলেচি | এনহাইড্ৰফ্লাক্টুৰানছ লুৰ |
| ৬ | বৰ মানিমুনি | হাইড্ৰক'টিলি এছিয়াটিক লিন্ |
| ৭ | সৰু মানিমুনি | হাইড্ৰক'টিলেছিব থৰ্পিঅ'ইডেছ লিম্‌ক্ |
| ৮ | ডোৰোণ শাক | লিকাছলানাটা |
| ৯ | টেঙেচি | মাৰ্ছিলিকুৱাড্ৰিফ'লিয়া |
| ১০ | লাজুকীলতা | মিমোছা পুডিনা লিন্ |
| ১১ | বনধনীয়া | ৰেনানকুলাচেলেৰেটাছ লিন্ |

## বাঁহ আৰু বেত ঃ

| | | |
|---|---|---|
| ১ | ভলুকা বাঁহ | বেম্বুছাবালকুৱা ৰক্স এল |
| ২ | বিজুলী বাঁহ | বেম্বুছাটুল্ডা ৰক্স বি |
| ৩ | কঁটাবাঁহ | বেম্বুছা আৰুণ্ডিনাচিয়া ওৱাইল্ড |
| ৪ | জাতিবাঁহ | বেম্বুছান্যুটানছ উইলিচ |
| ৬ | জাতিবেত | কেলামাছ টেনুইন |

## লতাজাতীয় উদ্ভিদ ঃ

| | | |
|---|---|---|
| ১ | ছাগলশিংলতা | মাইৰিঅ'প্টেৰোনপানিকুলাটা গ্রিফ্ |
| ২ | কুকুহালতা | থানবাগিচ্ছুয়া গ্রেণ্ডিফ্ল'ৰা ৰক্সবি |
| ৩ | নগৰবেৰালতা | মিকানিয়ামাইক্রান্থা এইচ বি কে |
| ৪ | টাপুৰিলতা | চিছাম্পেলোস্পাৰিয়েৰা লিন্ |
| ৫ | ভেদেলিলতা | পোৰেডাৰিয়া স্কেণ্ডাৰ্ণ লিন |
| ৬ | মেৰমেৰিয়ালতা | চিছাছৰেপাণ্ডা ভাহ্‌ল |
| ৭ | নাহগৰলতা | কম্‌ব্ৰেটাম আকুমিনেটাম ৰক্সবি |
| ৮ | কোৰাভাতুৰি | জিমনোপেটালাম কোচনচিনেনছে কুৰ্জ |
| ৯ | বাঘ আঁচোৰা | স্মাইলেক্স অ'ভালিফ'লিয়া ৰক্সবি |
| ১০ | শতমূল | এছপেৰাগাছ একেম'ছাছ ৱাইল্ড |
| ১১ | হাতীবন্ধা লতা | স্পাথ'লোলাছৰক্সবুৰ্গি বেন্থ্ |

## ঘাঁহ-বন ঃ

| | | |
|---|---|---|
| ১ | বিৰিণা | ভেটিভোৰয়াজিজানিঅ'ইডেছ (লিন) নাশ্ব |
| ২ | কাউৰীমণি | কোৰেক্সলেক্রিমা লিন্ |
| ৩ | কেঞাবন | কোৰেলেৰিয়া ব্ৰেভিফ'লিয়া (ৱাইল্ড) স্প্রেং |
| ৪ | লোকোচা বন | হেমাৰ্থিয়া কম্প্রেছা (লিন-এফ) |
| ৫ | এৰালি বন | লিৰ্ছিয়া হেক্সাণ্ড্ৰা ছোৱাটৰ্জ |
| ৬ | খাগৰি | ফ্রেগমিটেস্কাক্রা (ৰেট্জ্) ট্রিন্ |
| ৭ | উলুখেৰ | ইম্পেৰেটা চিলিণ্ড্ৰিকা (লিন) পি বিউভ |
| ৮ | শনখেৰ | পলিনিএচিলাটা ট্রিন |
| ৯ | দল | আৰুণ্ডোড'নাক্স লিন |
| ১০ | ইকৰা | এৰিয়াহ্থাছ ৰাভানায়ে (লিন) পি বিউভ |
| ১১ | দুবৰি বন | চাইন'ডোণ্ড'ক্টিলন পাৰ্চ |
| ১২ | ওপঙা ঘাঁহ (ফ্ল'টিংগ্ৰাছ) | হাইগ্ৰাৰফিলাৰিষ্টাটা নিছ্ |
| ১৩ | মূৰফুলা বন | চাইপাৰাছিৰিয়া লিন্ |
| ১৪ | বনগুটি | ক্রিছ'পগ্গ'নাচ্চিকুলাটাছ ট্রিন |
| ১৫ | বেলোচা বন | এলিউছিনে ইণ্ডিকা গাৰ্য়েটান |

# খোলাভূএগ্রা পৰিৰেশ-উন্নয়ন সমিতি

## পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য, গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডল

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

## জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা

## সূচীপত্ৰ


| অধ্যায় নং | শীৰ্ষক | পৃষ্ঠা নং |
|---|---|---|
| | **অধ্যায় - এক** | |
| ১ | পৰিচয় | |
| ২ | এলেকাটোৰ সাধাৰণ বৰ্ণনা | |
| ৩ | গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ আৰু পৰিৱেশ উন্নয়ন সমিতিৰ (ই ডি চি) বিৱৰণ | |
| ৪ | জীৱিকাৰ সম্পদ বিৱৰণ আৰু দুৰ্বলতাৰ পৰিপ্ৰেক্ষিত | |
| ৫ | বৰ্তমান পৰিকল্পনা আৰু কৰ্মসূচী | |
| | **অধ্যায় - দুই** | |
| ৬ | ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য, সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা আৰু ব্যৱধান বিশ্লেষণ | |
| ৭ | গাঁও উন্নয়ন পৰিকল্পনা | |
| ৮ | জীৱিকা উন্নয়ন পৰিকল্পনা | |
| ৯ | বন উন্নয়ন পৰিকল্পনা | |
| ১০ | ৰণকৌশল ৰূপায়ণ, সময়সীমা আৰু বাজেট | |
| | **অধ্যায় - তিনি** | |
| | তালিকা, মানচিত্ৰ আৰু পৰিশিষ্ট | |


অনুমোদিত

Divisional Forest Officer
Guwahati Wildlife Division
Guwahati-09

# খোলাভূঞা পৰিৱেশ-উন্নয়ন সমিতি

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য

গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডল

## ক্ষুদ্ৰ পৰিকল্পনা

## (২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

## অধ্যায় - এক

## ১। পৰিচয়

### ১.১ ঃ প্ৰকল্পৰ বিষয়ে ঃ

অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (এ পি এফ বি চি)ৰ লক্ষ্য হৈছে 'বহুমুখী আঁচনিৰ জৰিয়তে অসমৰ বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ দীৰ্ঘম্যাদী আঁচনি কাৰ্যক্ষম কৰা আৰু আঁচনিৰ লক্ষ্যস্থানসমূহত বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহক অন্তৰ্ভুক্ত কৰা, যাতে বনজ আৰু অবনজ সম্পদসমূহৰ দীৰ্ঘম্যাদী ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱন নিৰ্বাহ প্ৰক্ৰিয়াক উদগনি জনাব পাৰি।' এই প্ৰকল্পৰ লক্ষ্যক এনেদৰে উল্লেখ কৰা হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ সহযোগত বনাঞ্চলৰ পৰিৱেশ ব্যৱস্থা পুনৰ আগৰ অৱস্থালৈ ঘূৰাই নিয়াৰ লগতে সম্প্ৰদায়সমূহৰ জীৱন ধাৰণ প্ৰক্ৰিয়া উন্নত কৰিব পৰা যায়, যাতে জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু দীৰ্ঘম্যাদী ব্যৱহাৰ নিশ্চিত হয়।' অসম চৰকাৰৰ সহযোগত এই প্ৰকল্পৰ বাবে পুঁজিৰ যোগান ধৰিছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট (এ এফ ডি) অৰ্থাৎ ফ্ৰান্স বিকাশ এজেন্সীয়ে। উল্লিখিত প্ৰকল্পৰ অধীনত পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনকে ধৰি সকলো কাম কৰিবলৈ অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প সংস্থা (এ পি এ বি চি ছ'চাইটী) বাধ্য।

### ১.২ ঃ ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন

বজাৰ সম্ভাৱনীয়তাৰ ওপৰত ভিত্তি কৰি মূল্য সংযোজনেৰে জীৱন ধাৰণ প্ৰক্ৰিয়া প্ৰসাৰৰ বাবে এই প্ৰকল্পত ব্যৱসায়িক প্ৰচাৰ, উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন আৰু বজাৰ ব্যৱস্থাৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগ্ৰহী। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদৰ ওপৰত বৃদ্ধি পোৱা চাপৰ ফলত এনে ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী হৈ পৰিছে। বৰ্তমানে উপলব্ধ বন আৰু জৈৱ বৈচিত্ৰ্য সামগ্ৰী আৰু বজাৰ সেৱাসমূহৰ বজাৰৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মূল্য সংযোজনৰ অনুসন্ধান কৰাটো প্ৰয়োজনীয়। ইয়াৰ লগতে অবনজ নিৰ্ভৰশীল জীৱন ধাৰণ প্ৰক্ৰিয়া অনুসন্ধান কৰি সম্প্ৰদায়সমূহৰ সদস্যসকলক দক্ষতা উন্নয়ন পদক্ষেপৰ জৰিয়তে সফলতা বৃদ্ধি কৰা উচিত।

উক্ত প্ৰকল্পৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা বিকাশৰ আঁচনি ৰূপায়ণৰ বাবে ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰেনিয়ৰশ্বিপ (আই আই ই) গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড ডেভেল'পমেণ্টৰে এক মহাজোঁট গঠন কৰা হৈছে। এই মহাজোঁটক ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধি (কনছালটিং ছাৰ্ভিচ ফৰ মাইক্ৰ' প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)ৰ বাবে গঠিত মহাজোঁট চমুকৈ কম্পেল' হিচাপে নামকৰণ কৰা হৈছে।

এই প্ৰকল্পৰ নিয়ম অনুসৰি ক্ষুদ্ৰ পৰিকল্পনাত 'বিভিন্ন গাঁৱত অভিযান আৰু বন উন্নয়ন, বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল লোকসকলক জীৱিকা সমৰ্থন আৰু লক্ষ্য অনুসৰি দীৰ্ঘম্যাদী বন ব্যৱস্থাপনা' অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াত বন উন্নয়ন আৰু জীৱিকা বিকাশ উভয়ে অন্তৰ্ভুক্ত হৈ আছে।

### ১.২ ঃ খোলাভূএঞা ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা

অসমৰ মৰিগাঁও জিলাত অৱস্থিত খোলাভূএঞা ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। এই ই ডি চি গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰিধিৰ অন্তৰ্গত। সম্প্ৰদায়ৰ বিৱৰণ পৰৱৰ্তী অধ্যায়ত উল্লেখ কৰা হ'ল।

## ২। এলেকাৰ সাধাৰণ বিৱৰণ

### ২.১ সাধাৰণ বিৱৰণ

পবিতৰা প্ৰথম অৱস্থাত পূৰ্বৰ নগাঁও জিলাৰ এটি চৰণীয়া সংৰক্ষিত বনাঞ্চল আছিল। ১৯৬১-৬২ বৰ্ষত এই বনাঞ্চলত এশিঙীয়া গঁড় দৃষ্টিগোচৰ হোৱাৰ পিছৰে পৰাই পবিতৰাৰ নাম পোহৰলৈ আহে। ১৯৭১ চনৰ ১৮ নৱেম্বৰত জাৰি কৰা ৪/ছেটলমেণ্ট/৫৪২/৬৫/৫৪ নং চৰকাৰী অধিসূচনা অনুসৰি ১৯৭১ চনত পবিতৰাক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হয়। সেই সময়ত এই বনাঞ্চলৰ মুঠ আয়তন আছিল ১৫৮৪.৭৫ হেক্টৰ। এই বনাঞ্চল সংলগ্ন ৰজামায়ং পাহাৰৰ ১১৯১.৮৬ হেক্টৰ এলেকাকো ১৯৫৭ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে এ এফ এছ ৪২৭/৫৪/১১ নং এক চৰকাৰী অধিসূচনাৰ জৰিয়তে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হৈছিল।

অঞ্চলটোত গঁড়ৰ উপস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি প্ৰাথমিক অধিসূচনা জাৰি কৰি মুঠ ৩৮৮০.৬২ হেক্টৰ ভূমিক পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰা হয়। ১৯৮৭ চনৰ ১৬ জুলাইত সংৰক্ষিত বনাঞ্চল (২৭৭৬.৬২ হেক্টৰ) আৰু চৰকাৰৰ খাচ মাটি (১১০৪ হেক্টৰ), এই উভয় এলেকাক সামৰি লৈ এফ ডব্লিউ আৰ/১৯/৮৭/৩৯ নং চৰকাৰী অধিসূচনাৰ জৰিয়তে এই ঘোষণা কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী কালত ১৯৯৮ চনৰ ১৭ মাৰ্চত এফ আৰ এছ/১৯/৮৭/১৫২ নং চৰকাৰী অধিসূচনাৰ জৰিয়তে পবিতৰাক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে চূড়ান্ত ঘোষণা কৰা হয়। এই অধিসূচনা ১৯৯৮ চনৰ ১৩ মে'ত অসম ৰাজপত্ৰত প্ৰকাশিত হয়।

যিবোৰ চৰকাৰী খাচ ভূমি অভয়াৰণ্যৰ পাৰ সীমাত অন্তৰ্ভুক্ত কৰা হয়, সেইবোৰ হৈছে মূৰকটা ১ আৰু ২-ৰ ৩৩৬.০০ হেক্টৰ, দীপৰঙাৰ ৪০ হেক্টৰ, ঠেংভঙাৰ ১৭৬ হেক্টৰ আৰু কমাৰপুৰ/ৰজামায়ং কাৰতৰৰ ৫৫২ হেক্টৰ খাচ ভূমি।

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ প্ৰাকৃতিক সীমা হৈছে, দক্ষিণত গাৰঙা বিল, উত্তৰত ব্ৰহ্মপুত্ৰ নদ আৰু সীমাৰ বাকী অংশ কৃত্ৰিম আৰু ২৭খন গাঁৱৰে পৰিবেষ্টিত। লক্ষণীয় যে সংৰক্ষিত এলেকা মানৱ বসতিৰ পৰা মুক্ত।

অসমৰ ৰাজধানী নগৰী গুৱাহাটী, মৰিগাঁৱৰ জিলা সদৰ আৰু উদ্যোগ নগৰী জাগীৰোডৰ পৰা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৩নং ৰাজ্যিক ঘাইপথেৰে অভয়াৰণ্যলৈ যাব পাৰি। গুৱাহাটীৰ পৰা চন্দ্ৰপুৰ হৈ ইয়াৰ দূৰত্ব ৩৫ কিলোমিটাৰ। অন্য পথেৰে এই মহানগৰীৰ পৰা অভয়াৰণ্যৰ দূৰত্ব ৫৩ কিলোমিটাৰ আৰু ১৮ কিলোমিটাৰ ৰাজ্যিক ঘাইপথেৰে যাব লাগে।

### ২.২ অৱস্থিতি

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য মৰিগাঁও জিলাৰ ব্ৰহ্মপুত্ৰ নদী প্লাৱিত সমভূমি এলেকাত অৱস্থিত। সংৰক্ষিত এলেকাৰ আয়তন ৩৮.৮১ বৰ্গকিলোমিটাৰ। ২৬°১২' উত্তৰ অক্ষাংশৰ পৰা ২৬°১৫' উত্তৰ অক্ষাংশ আৰু ৯১°৫৯' পূবৰ পৰা ৯২°০৫' পূব দ্ৰাঘিমাংশৰ মাজত এই সংৰক্ষিত এলেকা অৱস্থিত।

পৰিশিষ্ট-১ত অৱস্থানৰ মানচিত্ৰ আৰু পৰিশিষ্ট-২ত ই ডি চিৰ প্ৰৱেশ পথৰ মানচিত্ৰ দিয়া হৈছে।

### ২.৩ মাটিৰ প্ৰকাৰ ঃ

এলেকাৰ মাটি ঘাইকৈ বিভিন্ন নদ-নদীয়ে কঢ়িয়াই অনা পলসেৰে গঠিত। কিছু কিছু এলেকাত পলসুৱা মাটিত বোকামাটিৰ পৰিমাণ অধিক দৃষ্টিগোচৰ হৈছে। গতিকে ইয়াৰ মাটিক পলসযুক্ত উৰ্বৰ বোকামাটিৰে আবৃত বুলি ক'ব পাৰি। ৰজামায়ং পাহাৰৰ উচ্চ এলেকাৰ মাটি বালিচহীয়া আৰু গছ-গছনিৰ বৃদ্ধিৰ বাবে উপযুক্ত। এই মাটিৰ সৰহভাগ উপাদান জৈৱিক পচন আৰু ক্ষয় হোৱা ৰূপান্তৰিত শিলা আৰু বালিশিলৰ মিশ্ৰণ। পাৰ্বত্য এলেকাৰ মাটিৰ উপৰিভাগৰ উৰ্বৰতা হ্ৰাসপ্ৰাপ্ত হয়।

### ২.৪ পানী

নিম্ন এলেকা হোৱা বাবে একমাত্ৰ ৰজামায়ং পাহাৰৰ বাহিৰে সমগ্ৰ অভয়াৰণ্য বছৰি বানৰ দ্বাৰা প্লাৱিত হয়। অভয়াৰণ্যত গোটেই বছৰজুৰি পানী থাকে আৰু বাৰমহীয়াকৈ পানীৰ উৎস হৈছে গাৰঙা হাডুক বিল। অভয়াৰণ্যৰ অধিকাংশ জলাশয়েই হৈছে অশ্বখুৰা হ্ৰদ আৰু আয়তনতো বৃহৎ। তদুপৰি, সমগ্ৰ অভয়াৰণ্যজুৰি বিভিন্ন ঠাইত অগভীৰ জলাশয়ো সিঁচৰতি হৈ আছে। ৰজামায়ং পাহাৰতো নিজৰাৰ দৰে সৰু সৰু জলধাৰা প্ৰৱাহিত হৈছে। লগতে কিছুসংখ্যক ক্ষুদ্ৰ ক্ষুদ্ৰ আৰ্দ্ৰ ভূমিখণ্ডও আছে। এই অভয়াৰণ্যৰ উত্তৰ সীমাৰে প্ৰৱাহিত হৈছে মহাবাহু ব্ৰহ্মপুত্ৰ আৰু দুই কিলোমিটাৰ নিলগত দক্ষিণ-পশ্চিম দিশত প্ৰৱাহিত হৈছে কপিলী নৈ। এই নৈখন কাজলিমুখত গৈ ব্ৰহ্মপুত্ৰত মিলিত হৈছেহি। আনহাতে, সংৰক্ষিত এলেকাৰ পূব সীমাত অৱস্থিত পকৰীয়া বিল। এলেকাত কিছুসংখ্যক ঋতুকালীন জলাশয় হিচাপে আছে যুগদল বিল, লম্বাডোভা জলাশয়।

## ২.৫ জলবায়ু ঃ উষ্ণতা আৰু বৃষ্টিপাত

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ জলবায়ু উপ-গ্ৰীষ্ম মণ্ডলীয় মৌচুমী বুলি গণ্য কৰিব পাৰি। গ্ৰীষ্মকালত তাপমাত্ৰাৰ সৰ্বোচ্চ হাৰ ৩১° চেলচিয়াছ আৰু শীতকালত তাপমাত্ৰাৰ ন্যূনতম হাৰ ১১° চেলচিয়াছ। বাৰিষা ঋতু মে' মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈকে। সেই সময়ত গড় বৃষ্টিপাতৰ পৰিমাণ ২৫১ মিলিমিটাৰ। শীতকালত আৰ্দ্ৰতাৰ পৰিমাণ ৭৮ শতাংশ আৰু বাৰিষা বতৰত ৮২ শতাংশলৈকে বৃদ্ধি পায়।

## ২.৬ পৰিৱেশতন্ত্ৰ আৰু জৈৱ-বৈচিত্ৰ্য

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য প্ৰাকৃতিক সম্পদত চহকী। এই অভয়াৰণ্যত আছে বিবিধ প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী। এই অভয়াৰণ্যক তিনিটা ভাগত ভগাব পাৰি ঃ

১) তৃণভূমি

২) বৃক্ষাৰণ্য

৩) আৰ্দ্ৰভূমি

দীঘল আৰু চুটি উভয় ধৰণৰ ঘাঁহেৰে তৃণভূমি এলেকা গঠিত হৈছে। ঘাঁহৰ প্ৰধান প্ৰজাতিবোৰ হৈছে ফ্ৰেগমিটেস্কাক্ৰা, ইম্পেৰাটেচিলিণ্ড্ৰিকা, ছাক্কাৰামস্পণ্টনিয়াম আদি।

অভয়াৰণ্যৰ মুঠ এলেকাৰ ৬.৬১ শতাংশ হৈছে আৰ্দ্ৰভূমি। এই আৰ্দ্ৰভূমি এলেকা অসংখ্য প্ৰকাৰৰ পৰিভ্ৰমী চৰাই, স্থানীয় চৰাই-চিৰিকতি, স্তন্যপায়ী, মাছ, উভচৰ প্ৰাণী আৰু সৰিসৃপৰ বাসস্থান। জলাশয় এলেকাৰ সংলগ্ন ঠাইতেই আছে তৃণভূমি। হাডুক, শ'লমাৰী, গাৰণ্ডা আদি বিলবোৰ গোটেই বছৰজুৰি পানীৰে পৰিপূৰ্ণ হৈ থাকে। কিছুসংখ্যক প্ৰজাতিৰ ঘাঁহ আৰু জলজ উদ্ভিদ জলাশয়বিলাকতে জন্মে। এইবোৰ হৈছে পানীমেটেকা (মেটেকাউইছৰিয়া), পাডুম (নেলুম্বো), খালেকা আদি। বৃক্ষাচ্ছাদিত এলেকা ছিজিয়ামক্যুমিনি, ফিকাছগ্ল'মেৰাটা আদি প্ৰজাতিৰ বৃক্ষক লৈ গঠিত হৈছে। আনহাতে, বিভিন্ন ফুলৰ প্ৰজাতিৰ উদ্ভিদবিলাকৰ ভিতৰত আছে আলষ্টোনিয়াস্কলাৰিছ, টাৰ্মিনেলিয়া টোমেণ্টোছা আৰু অন্যান্য।

এলেকাত বিভিন্ন প্ৰজাতিৰ চৰাই আৰু জীৱ-জন্তু আছে। নথিভুক্ত তথ্য অনুসৰি এই অভয়াৰণ্যত আছে গঁড়, খাগৰি পহু, বনগাহৰি আৰু ম'হসহ ২২বিধ স্তন্যপায়ী প্ৰাণী। আনহাতে, প্ৰাপ্ত নথি অনুসৰি ৪৬বিধ প্ৰজাতিৰ (পৰিভ্ৰমী আৰু স্থানীয়) ৩৭৫বিধ চৰাই আছে। আনহাতে, ২৭ প্ৰজাতিৰ সৰিসৃপ আৰু ৯ প্ৰজাতিৰ উভচৰ এই অভয়াৰণ্যত আছে। কিছু গুৰুত্বপূৰ্ণ মাছৰ প্ৰজাতিৰ ভিতৰত আছে ৰৌ, কান্দুলী, বাতো, আৰি, শ'ল আদি। উল্লিখিত প্ৰাণীবোৰৰ উপৰি আছে বন মেকুৰী, নাহৰফুটুকী, মেকুৰী আৰু কেতবোৰ সৰু সৰু প্ৰাণী যেনে জহামাল, নেউল, উদ আদি।

## ২.৭ পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত দেখা দিয়া দুৰ্যোগসমূহ

অভয়াৰণ্যত দেখা দিয়া কেতবোৰ ঘাই ঘাই দুৰ্যোগ তলত উল্লেখ কৰা হ'ল—

* বানপানী ঃ

  বছৰেকীয়া বানপানী এক নিয়মিত পৰিঘটনা। ইয়াৰ ফলত অভয়াৰণ্যৰ বন্যপ্ৰাণীৰ মৃত্যু, আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থাৰ ক্ষয়-ক্ষতিৰ লগতে ম'হৰ বিপুল ক্ষতিসাধন হয়। ১৯৯৮, ২০০২ আৰু ২০০৪ চনৰ বানত একমাত্ৰ বনাঞ্চলৰ জিৰমিনিবাসৰ বাহিৰে সমগ্ৰ পবিতৰা অভয়াৰণ্য বুৰ গৈছিল।

* গঁড়ৰ চোৰাং চিকাৰ ঃ

  অভয়াৰণ্যত আটাইতকৈ ডাঙৰ ভাবুকি হৈছে গঁড়ৰ চোৰাং চিকাৰ। বিগত ২৫ বছৰত চোৰাং চিকাৰীয়ে ৪৯টা গঁড় হত্যা কৰিছে। সাধাৰণতে বাহিৰৰ পৰাই চোৰাং চিকাৰী আহে আৰু স্থানীয় গাঁওবাসীৰ সহায়ত অপৰাধ কাৰ্য সংঘটিত কৰে।

* আৰ্দ্ৰভূমিত পলস ঃ

  সংৰক্ষিত এলেকাৰ প্ৰধান প্ৰধান আটাইবোৰ আৰ্দ্ৰভূমি বালিৰে ঢাক খাই পৰাটো এক গুৰুতৰ বিপদ হৈ পৰিছে। প্ৰতিবছৰে বানপানীৰ পিছত অভয়াৰণ্যৰ জলাশয়বোৰত বালি জমা হৈ ওখ হৈ পৰে। ইয়াৰ ফলত আৰ্দ্ৰভূমিৰ আয়তন আৰু গভীৰতা হ্ৰাস পাই আছে, যাৰ পৰিণামত জলাশয়বিলাকৰ পানী ধাৰণ ক্ষমতাও কমি গৈ আছে।

* মানৱ বসতি আৰু সচলতা ঃ

আশেপাশে মানৱ বসতি আৰু তেওঁলোকৰ সংশ্লিষ্ট বিভিন্ন কাৰ্যকলাপ পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ জৈৱ-বৈচিত্ৰ্যৰ বাবে এক ভাবুকি হৈ পৰিছে। জনসংখ্যা বৃদ্ধি, পথ, আৱাস, বজাৰ এলেকা আদিৰ বাবে নিৰ্মাণৰ কাম-কাজ বাঢ়ি যোৱাত বায়ু আৰু শব্দ প্ৰদূষণ ঘটিছে। এই ধৰণৰ কাৰ্যকলাপে পবিতৰা অভয়াৰণ্যজুৰি বন্যপ্ৰাণীৰ সচলতা সীমিত কৰিছে। তদুপৰি, অভয়াৰণ্যৰ মাজেদি যোৱা ঘাইপথে দুৰ্ঘটনা আৰু চোৰাং চিকাৰীৰ দ্বাৰা জীৱ-জন্তু হত্যাত বিপদ বাঢ়িছে।

* পশুচাৰণৰ অত্যধিক হেঁচা ঃ

অভয়াৰণ্যত পশুচাৰণ নিষিদ্ধ যদিও সীমামূৰীয়া গাঁৱৰ বাসিন্দাসকলে চাৰণৰ বাবে ঘৰচীয়া জীৱ-জন্তুক অভয়াৰণ্যৰ ভিতৰত মেলি দিয়ে। সাম্প্ৰতিক তথ্যমতে নিতৌ পবিতৰা অভয়াৰণ্যত চাৰণৰ বাবে ৩,০০০ৰো অধিক পশুধন মেলি দিয়া হয়। কেন্দ্ৰীভূত এলেকাত পশুধন চাৰণৰ বাবে মেলি দিয়াৰ ফলত ব্যাপক হাৰত তৃণভূমি বিনষ্ট হোৱাটো দৃষ্টিগোচৰ হৈছে। পবিতৰা অভয়াৰণ্যৰ চাৰিও দিশৰ পৰা পশুচাৰণৰ হেঁচা আহিছে আৰু খাদ্যৰ বাবে গঁড়বিলাক ঘৰচীয়া পশুধনৰ সৈতে প্ৰতিযোগিতাৰ সন্মুখীন হ'বলগীয়া হৈছে।

## ৩) গাঁৱৰ আৰ্থ-সামাজিক পৰিচয় আৰু পৰিৱেশ-উন্নয়ন সমিতি (ই ডি চি)ৰ বিৱৰণ

### ৩.১ মূল তথ্য

খোলাভূএগ্ৰা ৰাজহ গাঁওখন মৰিগাঁও জিলাত অৱস্থিত। ২০১৬ চনৰ ৩ অক্টোবৰত অসম যুটীয়া (জনতাৰ অংশগ্ৰহণ) বন পৰিচালনা বিধি, ১৯৯৮ৰ ৭ (VII) নং ধাৰা অনুসৰি (পৰিশিষ্ট ৩ত দিয়া পঞ্জীকৰণ প্ৰমাণ-পত্ৰ অনুসৰি) এই ই ডি চিৰ পঞ্জীকৰণ কৰা হয়।

**তালিকা— ক ঃ পৰিৱেশ-উন্নয়ন সমিতিখনৰ মূল তথ্য**

| | |
|---|---|
| ই ডি চিৰ নাম | খোলাভূএগ্ৰা |
| গাঁও পঞ্চায়তৰ নাম | কুৰণিবৰি |
| ৰাজহ চক্ৰ | মায়ং |
| জিলা | মৰিগাঁও |
| সংমণ্ডল | গুৱাহাটী |
| বন আঞ্চলিক | পবিতৰা |
| বন লাট | পবিতৰা |
| স্থাপনৰ বৰ্ষ | ০৩/১০/২০১৬ |
| পঞ্জীয়ন নম্বৰ | KNP/FG 761 |
| ই ডি চিৰ চাৰিসীমাৰ বিৱৰণ | তলত উল্লেখ কৰা মতে—<br>উত্তৰ ঃ পকৰীয়া নদী<br>দক্ষিণ ঃ পবিতৰা<br>পশ্চিম ঃ বুঢ়াবুঢ়ী গাঁও<br>পূব ঃ কুৰণিবৰি ৰাজহ গাঁও |

**উৎস ঃ** ই ডি চিৰ নথি আৰু ২০১৭ চনৰ মাৰ্চত পি আৰ এ অনুশীলনত হোৱা আলোচনা।

### ৩.২ কাৰ্যকৰী সমিতিৰ সংক্ষিপ্ত বিৰৰণ

ই ডি চিৰ সাধাৰণ আৰু কাৰ্যকৰী সমিতিৰ বিতং বিৰৰণ তলৰ তালিকাত উল্লেখ কৰা হ'ল। (পৰিশিষ্ট IV-ত ই ডি চি-ৰ সদস্যসকলৰ স্বাক্ষৰযুক্ত তালিকা আৰু পিৰিশিষ্ট V-ত সমূহীয়া আলোকচিত্ৰ দিয়া হৈছে।)

**তালিকা- খ ঃ কাৰ্যকৰী সমিতিৰ সংক্ষিপ্ত বিৰৰণ**

| নাম | বয়স | অভিভাৱকৰ নাম/ঠিকনা | শিক্ষাগত অৰ্হতা | ফোন নম্বৰ | পদবী |
|---|---|---|---|---|---|
| আতাব উদ্দিন আহমেদ | ৩৭ | প্ৰযত্নে প্ৰয়াত ফৰমান আলী, পোঃ অঃ কুৰণিবৰি, মৰিগাঁও | স্নাতক | ৮৮৭৬৬৮০৮০২ | সভাপতি |
| অশোক কুমাৰ দাস | ৫০ | প্ৰযত্নে প্ৰয়াত হৰেন্দ্ৰ দাস পবিতৰা আঞ্চলিক কাৰ্যালয় | স্নাতক | ৯৪৩৫১-৪১১৫৮ | সদস্য সচিব |
| আব্দুল লতিফ | ৫০ | প্ৰযত্নে প্ৰয়াত আব্বাছ আলী পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | প্ৰাথমিক | ৮৪৮৬০৫৬৭০৯ | উপ-সভাপতি |
| আব্দুল কাছেম | ৩৭ | প্ৰযত্নে আলাউদ্দিন পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | স্নাতক | ৯৪৩৫৮৭১৫৮৫ | উপ-সভাপতি |
| আবুবক্কৰ ছিদ্দিক | ৩৭ | প্ৰযত্নে প্ৰয়াত আবু ছালেম পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | পঞ্চম | ৮৪৮৬৭০৪০৮৭ | সদস্য |
| হবিবুৰ ৰহমান | ৪৫ | প্ৰযত্নে প্ৰয়াত মকবুল হুছেইন পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | পঞ্চম | ৮৭২৪০৫৫৪৯৬ | সদস্য |
| ফকুৰুদ্দিন | ৪৬ | প্ৰযত্নে প্ৰয়াত মেহেৰ আলী পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | তৃতীয় | ৮৪৮৬৮৫২৭৬৩ | সদস্য |
| মুশ্বাৰফ আলী | ৫০ | প্ৰযত্নে ছাবেদ আলী পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | তৃতীয় | ৯৭০৬৭১২৫৬২ | সদস্য |
| ফকৰুল ইছলাম | ৩২ | প্ৰযত্নে প্ৰয়াত ছাহিদ উল্লাহ পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | উচ্চতৰ মাধ্যমিক | ৯৬৭৮৮৯০৯২৩ | সদস্য |
| জহুৰ বুলবুল | ২৪ | প্ৰযত্নে হুছেইন আলী পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | স্নাতক | ৯৭০৬১৩৮৫৩৬ | সদস্য |
| ছইদুল ইছলাম | ২৮ | প্ৰযত্নে ইছৱ আলী পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | সপ্তম | ৯৬৭৮৪০৪৭৯৯ | সদস্য |
| ইক্ৰামুল হক | ৩২ | প্ৰযত্নে প্ৰয়াত ইছমাইল আলী পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | নৱম | ৯৪৩৫৩৬৯৭৫৫ | সদস্য |
| ছুফিয়া খাতুন | ২২ | প্ৰযত্নে মবিদুল ইছলাম পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | সপ্তম | ৮৮৭৬৫২৬২৪৮ | সদস্য |
| আমিনা খাতুন | ৩৫ | প্ৰযত্নে ৰাহেব আলী পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | দশম | ৯৯৫৭৪৮৬৫৯৩ | সদস্য |
| নীলিমা বেগম | ৩০ | পোঃ অঃ কুৰণিবৰি, মায়ং, মৰিগাঁও | দশম | ৯১২৭১৫৭৭৬৬ | সদস্য |

**উৎস ঃ** ই ডি চিৰ তথ্য।

## ৩.৩ পৰিয়াল আৰু জনসংখ্যা গাঁথনি

গাঁওখনৰ ৩৯১টা পৰিয়ালৰ ভিতৰত ২০০টা পৰিয়ালৰ ওপৰত সমীক্ষা চলোৱা হৈছে। ইয়াৰে ৫২টা পৰিয়াল বি পি এল (দৰিদ্ৰ্য সীমাৰেখাৰ তলৰ)।

**তালিকা— গ ঃ জনগাঁথনিৰ চিত্ৰ**

**জনগাঁথনি**

| জাতি/ গোষ্ঠী | পৰিয়াল | পুৰুষ | মহিলা | মুঠ |
|---|---|---|---|---|
| সাধাৰণ | ১৪৩ | ৩৯০ | ৩৮৭ | ৭৬৭ |
| সংখ্যালঘু | ৫৭ | ১৫৮ | ১৪০ | ৩০৮ |
| মুঠ | ২০০ | ৫৪৮ | ৫২৭ | ১০৭৫ |

মুঠ জনসংখ্যা ১০৭৫, ইয়াৰে ৫৪৮জন পুৰুষ তথা বাকীসকল মহিলা। জনসংখ্যাৰ ১৪৩টা পৰিয়াল হৈছে সাধাৰণ শ্ৰেণীৰ আৰু ৫৭টা পৰিয়াল সংখ্যালঘু সম্প্ৰদায়ৰ

ইয়াৰ পৰা এইটো জনা যায় ঃ

(১) পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৫জন।

(২) লিংগানুপাত হৈছে গাঁৱত প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৬১।

**তালিকা— ঘ ঃ বয়সৰ বিবিধতা চিত্ৰ**

| বয়স শ্ৰেণী | < ৫ বছৰ | ৫-১৮ বছৰ | ১৮-৪৫ বছৰ | ৪৫-৬০ বছৰ | > ৬০ বছৰ |
|---|---|---|---|---|---|
| পুৰুষ | ৬০ | ২০০ | ২২২ | ৪০ | ২৬ |
| মহিলা | ৬৩ | ১৮১ | ২০৯ | ৫৩ | ২১ |
| মুঠ | ১২৩ | ৩৮১ | ৪৩১ | ৯৩ | ৪৭ |

## ৩.৪ শিক্ষা আৰু দক্ষতা বিকাশ ঃ

ই ডি চি-ৰ শিক্ষাগত অৰ্হতাৰ বিৰৰণ তলৰ তালিকা ঙ-ত দিয়া হ'ল।

**তালিকা — ঙ ঃ শিক্ষাগত অৰ্হতাৰ বিৰৰণ**

| বয়স শ্ৰেণী | প্ৰাথমিক | মধ্য | উচ্চ | উচ্চতৰ | স্নাতক | স্নাতকোত্তৰ | নিৰক্ষৰ |
|---|---|---|---|---|---|---|---|
| < ২৫ বছৰ | ১৯০ | ৭২ | ৬৭ | ৯৯ | ১১ | ০ | ৩৬ |
| > ২৫ বছৰ | ৬৬ | ১৮ | ৪০ | ১৬ | ৭ | ১ | ২৯৬ |
| **মুঠ** | ২৫৬ | ৯০ | ১০৭ | ১১৫ | ১৮ | ১ | ৩৩২ |

প্ৰাপ্ত তথ্য অনুসৰি জনসংখ্যাৰ ৫৪.৬০ শতাংশৰো অধিক লোক সাক্ষৰ।

জীৱিকা নিৰ্বাহৰ বিভিন্ন দক্ষতা সাধাৰণতে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুই ধৰণেই আহৰণ কৰা হৈছে। ই ডি চি এলেকাত অনানুষ্ঠানিক দক্ষতাৰ অৰ্থ হৈছে পৰম্পৰাগত পদ্ধতি। লোকসকল নিম্নোক্ত ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে ঃ

(ক) কৃষি

(খ) হাঁহ-কুকুৰা পালন

(গ) চুপাৰী উৎপাদন

## ৩.৫ ভূমি ব্যৱহাৰৰ ধৰণ

জনসংখ্যা হৈছে ঘাইকৈ কৃষি আৰু পশুপালনৰ ওপৰত নিৰ্ভৰশীল।

গাঁওখনৰ ভূমিৰ ব্যৱহাৰৰ ধৰণ তলত উল্লেখ কৰা হ'ল ঃ

ই ডি চি-ৰ অধীনিত মুঠ এলেকা ঃ ৪৩ হেক্টৰ

শস্য ভূমি ঃ ৭৯.৯০ শতাংশ

বৃক্ষাচ্ছাদিত এলেকা ঃ ২.০৩ শতাংশ

বসতি এলেকা ঃ ১৫.৯৯ শতাংশ

জলাশয় ঃ ১.৯৯ শতাংশ

## ৩.৬ ভূমি মালিকানাৰ ধৰণ

ভূমি মালিকানা অনুসৰি পৰিয়ালসমূহৰ অৱস্থা এনে ধৰণৰ ঃ

* ৪.২৯ শতাংশ পৰিয়াল ভূমিহীন
* ৯৫.৭১ শতাংশ পৰিয়াল উপান্ত কৃষক (এওঁলোকৰ প্ৰতি পৰিয়ালৰ মাটিৰ পৰিমাণ ২ হেক্টৰতকৈয়ো কম)

## ৩.৭ পশুধন

পৰিয়ালসমূহে পালন কৰা পশুধনৰ প্ৰকাৰ এনেধৰণৰ—

| ক্ৰমিক নং | পশুধন | সংখ্যা |
|---|---|---|
| ১ | গাই | ৩০০ |
| ২ | ষাঁড় / বলধ | ৩০ |
| ৩ | হাঁহ | ১৮০ |
| ৪ | কুকুৰা | ১০০০ |
| ৫ | ভেৰা | ৬০ |



৩.৮ গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা

নিৰ্বাহক্ষম জীৱিকাৰ উন্নয়নৰ বাবে যিকোনো সম্প্ৰদায়ৰ বাবে পৰ্যাপ্ত মৌলিক আন্তঃগাঁথনি থকাটো আৱশ্যক। গাঁওখনৰ বৰ্তমান আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা তলত দিয়া হ'ল।

**তালিকা— চ ঃ বস্তুগত আন্তঃগাঁথনি**

| ক্ৰমিক নম্বৰ | আন্তঃগাঁথনি | অৱস্থিতি (গাঁৱৰ ভিতৰত নে বাহিৰত) | সংখ্যা (যদি প্ৰযোজ্য) | গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰত) | অৱস্থা আৰু বৰ্তমান ব্যৱস্থা |
|---|---|---|---|---|---|
| ১ | বাছ আস্থান | ভিতৰত | ৩ | ২০০ | শোচনীয় |
| ২ | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ | বাহিৰত | ১ | ৫ | ভাল |
| ৩ | প্ৰাথমিক বিদ্যালয় | ভিতৰত | ২ | — | ভাল |
| ৪ | মাধ্যমিক বিদ্যালয় | ভিতৰত | ১ | — | মধ্যম |
| ৫ | উচ্চ বিদ্যালয় | বাহিৰত | ২ | ৩ | মধ্যম |
| ৬ | উচ্চতৰ মাধ্যমিক বিদ্যালয় | বাহিৰত | ১ | ৩ | মধ্যম |
| ৭ | মহাবিদ্যালয় | বাহিৰত | ১ | ৭ | মধ্যম |
| ৮ | ডাকঘৰ | বাহিৰত | ১ | ২ | মধ্যম |
| ৯ | বেংক | বাহিৰত | ১ | ৭ | মধ্যম |
| ১০ | টেলিফোন | — | — | — | — |
| ১১ | অংগনৱাড়ী কেন্দ্ৰ | ভিতৰত | ২ | — | মধ্যম |
| ১২ | গাঁও পঞ্চায়তৰ কাৰ্যালয় | ভিতৰত | ১ | — | মধ্যম |
| ১৩ | ৰাজহ চক্ৰ কাৰ্যালয় | বাহিৰত | ১ | ১৩ | মধ্যম |
| ১৪ | আৰক্ষী চকী / থানা | বাহিৰত | ১ | ৭ | মধ্যম |
| ১৫ | বন লাট কাৰ্যালয় | — | — | — | — |
| ১৬ | বন আঞ্চলিক কাৰ্যালয় | বাহিৰত | ১ | ৭ | ভাল |
| ১৭ | ৰে'লৰে ষ্টেচন | বাহিৰত | ১ | ২২ | মধ্যম |
| ১৮ | খোৱাপানীৰ উৎস | — | — | — | — |
| ১৯ | ৰাজহুৱা সভাঘৰ | ভিতৰত | ১ | — | ভাল |
| ২০ | বিদ্যুৎ সংযোগ ঘৰ | ভিতৰত | ১৯০ | — | — |
| ২১ | ষ্ট্ৰিট লাইট | — | — | — | — |
| ২২ | ট্ৰেক্টৰৰ সংখ্যা | ভিতৰত | ১ | — | — |
| ২৩ | পাৱাৰ টিলাৰৰ সংখ্যা | ভিতৰত | ৩ | — | ভাল |
| ২৪ | মন্দিৰ/গীৰ্জা/মছজিদ/নামঘৰ | ভিতৰত | ৩ মছজিদ | — | ভাল |
| ২৫ | জিলা মুখ্য কাৰ্যালয় | বাহিৰত | ১ | ২৭ | ভাল |
| ২৬ | গাড়ীৰ সংখ্যা (কাৰ/ট্ৰাক) | ভিতৰত | ১৫ | — | ভাল |
| ২৭ | জে চি বিৰ সংখ্যা | ভিতৰত | ১ | — | ভাল |
| ২৮ | সমীপৱৰ্তী বজাৰ | বাহিৰত | ১ | ২ | ভাল |

ওপৰত দিয়া তালিকাৰ ভিত্তিত গাঁওখনৰ আন্তঃগাঁথনি সন্দৰ্ভত তলত দিয়া বিষয়বোৰ উল্লেখ কৰিব পাৰি ঃ

**বস্তুগত আন্তঃগাঁথনি ঃ** বসতি এলেকা পকীপথ, পানীযোগান আদি মৌলিক বস্তুগত আন্তঃগাঁথনৰ পৰা বঞ্চিত।

**শিক্ষা আৰু স্বাস্থ্য সুবিধা ঃ** শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা নগণ্য। ৰাজহুৱা পৰিবহণ ব্যৱস্থাও পৰ্যাপ্ত নহয়। ফলত সম্প্ৰদায়ৰ লোকসকলে চাইকেলেৰে অহা-যোৱা কৰিবলগীয়া হয়।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ (যেনে আৰক্ষী থানা, ৰাজহ কাৰ্যালয়, বন লাট কাৰ্যালয় আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত। বসতি এলেকা বা নিকটৱৰ্তী ঠাইৰ পৰা নিয়মিত ৰাজহুৱা পৰিবহণ নথকাত গাঁওবাসীয়ে এইবোৰ কাৰ্যালয়লৈ যাব নোৱাৰে, ফলত তেওঁলোকৰ সমস্যা বহুগুণে বাঢ়িছে।

**বিত্তীয় অন্তৰ্ভুক্তি ঃ** বেংক আৰু ডাকঘৰৰ দৰে বিত্তীয় প্ৰতিষ্ঠানসমূহ বসতি এলেকাৰ পৰা দূৰৈত অৱস্থিত। ইয়াৰ ফলত বিত্তীয় অৰ্হতাৰ ক্ষেত্ৰত সমস্যাই দেখা দিছে।

### ৩.৯ কৃষিজাত শস্য

গাঁওখনৰ প্ৰধান উৎপাদিত শস্য হৈছে বড়োধান, তৈলবীজ (সৰিয়হ) আৰু বিলাহী, ৰঙালাউ, ভেণ্ডি আৰু পানীলাউ আদিৰ দৰে পাচলিসমূহ।

এইবোৰ শস্য আৰু উৎপাদনৰ হাৰ তলত উল্লেখ কৰা হ'ল ঃ

ক) বড়োধান ঃ উৎপাদন— ৬,৪০০ কুইণ্টল; উৎপাদনৰ হাৰ ৬,০০০ কিঃ গ্ৰাঃ/হেক্টৰ

খ) তৈলবীজ ঃ উৎপাদন— ৪২০ কুইণ্টল; উৎপাদনৰ হাৰ ৯০০ কিঃ গ্ৰাঃ/হেক্টৰ

গ) পাচলি ঃ উৎপাদন— ৩০ কুইণ্টল; উৎপাদনৰ হাৰ ১,৫০০ কিঃ গ্ৰাঃ/হেক্টৰ

### ৩.১০ পশু খাদ্যৰ পৰ্যাপ্ততা

গাঁওখন নিকটৱৰ্তী বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল। গাঁৱৰ পশুখাদ্যৰ প্ৰধান উৎসবোৰ তলত উল্লেখ কৰা হ'ল ঃ

ক) স্থানীয় এলেকা

খ) পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য

গ) বসতি আৰু আশেপাশে

ঘ) শস্যৰ অৱশিষ্টাংশ

### ৩.১১ বজাৰ

সম্প্ৰদায়ে অহা-যোৱা কৰা বজাৰসমূহ হৈছে ঃ

ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ খোলাভূঞা ই ডি চি

খ) সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ২ কিলোমিটাৰ নিলগত বুঢ়াবুঢ়ী গাঁও

গ) প্ৰধান বজাৰ ঃ ২২ কিলোমিটাৰ দূৰৈত জাগীৰোডত

### ৩.১২ পানীৰ উৎস

পানীৰ প্ৰধান উৎস আৰু ইয়াৰ পৰ্যাপ্ততা তলত উল্লেখ কৰা হ'ল ঃ

ক) টিউবৱেল ঃ ১৯০টা (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ)

খ) নদী/জলাধাৰ ঃ ১টা (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ)

### ৩.১৩ শক্তিৰ ব্যৱহাৰ

গাঁৱৰ শক্তিৰ প্ৰধান প্ৰধান উৎসবোৰ তলত উল্লেখ কৰা হ'ল ঃ

ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল — ২৫৩টা; উৎস ঃ গাঁও, বনাঞ্চল

খ) এল পি জি ঃ নিৰ্ভৰশীল পৰিয়াল— ২৮০টা; উৎস ঃ বিতৰক (ডিষ্ট্ৰিবিউটৰ)

গ) বিদ্যুৎ ঃ নিৰ্ভৰশীল পৰিয়াল — ১৯০; উৎস ঃ চৰকাৰ

### ৩.১৪ আৰ্থ-সামাজিক স্থিতি

**সামাজিক গাঁথনি ঃ** গাঁওখনত মুছলিম সম্প্ৰদায়ৰ বসবাস। তেওঁলোকৰ মাজত জাতিভেদ প্ৰথা নাই। সমাজত সামাজিক বিভাজনো নাই। মহিলাসকলৰ অৱস্থা সন্তোষজনক নহয়।

**অৰ্থনৈতিক অৱস্থা ঃ** অৰ্থনৈতিক অৱস্থা সন্তোষজনক নহয়। প্ৰধান জীৱিকা হৈছে কৃষি। অধিকাংশ পৰিয়ালৰে বাৰ্ষিক আয় ২৪,০০০ টকাৰ পৰা ১,৪৪,০০০ টকালৈকে।

অতিৰিক্ত বিতং বিৱৰণ পৰৱৰ্তী অধ্যায়ত দিয়া হৈছে।

## ৪। জীৱিকা সম্পদৰ সবিশেষ আৰু দুৰ্বলতা প্ৰসংগ

এই অধ্যায়ত গাঁওখনৰ জীৱিকা সম্পদ আৰু সেইবোৰৰ বৰ্তমান অৱস্থা সম্পৰ্কে আলোচনা কৰা হৈছে। লগতে এই অধ্যায়ত দুৰ্বলতাৰ পৰিপ্ৰেক্ষিতসমূহো বিশ্লেষণ কৰা হৈছে।

### ৪.১ জীৱিকা সম্পদৰ বিশ্লেষণ

স্থিতিশীল জীৱিকা সম্পৰ্কীয় নিৰ্দেশিকা অনুসৰি (SLF) যিকোনো গাঁৱত জীৱিকাৰ বিকাশৰ বাবে পাঁচটা সম্পদ সৰ্বাধিক গুৰুত্বপূৰ্ণ। এইবোৰ হৈছে মানৱ সম্পদ, আৰ্থিক মূলধন, সামাজিক মূলধন, প্ৰাকৃতিক মূলধন আৰু বস্তুগত মূলধন। এই পাঁচটা মূলধনৰ বিশ্লেষণ তলত আগবঢ়োৱা হ'ল ঃ

**মানৱ সম্পদ ঃ**

এলেকাত মানৱ সম্পদ বুলিলে আমি খোলাভূএঞাৰ ৰাইজে আহৰণ কৰা শিক্ষাগত অৰ্হতা আৰু দক্ষতা আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়বোৰত গুৰুত্ব প্ৰদান কৰোঁ। যিকোনো গাঁৱৰ উন্নয়নত এই ধৰণৰ সাক্ষৰতা আৰু বৃত্তিগত বিষয়বিলাকে প্ৰধান ভূমিকা পালন কৰে।

গাঁৱত সাক্ষৰতাৰ হাৰ জনসংখ্যাৰ প্ৰায় ৫৪.৬০ শতাংশ। দক্ষতাৰ ক্ষেত্ৰত দেখা যায়, গাঁওখনত সৰ্বাধিক লোক কৃষিকাৰ্যত দক্ষ আৰু এইটোৱেই হৈছে জীৱিকাৰ প্ৰধান উৎস। তদুপৰি, গাঁৱৰ বৰ্তমান লোকসকল ভিতৰত অন্যান্য দক্ষতা চিলাই কাম, বাঁহ আৰু বেতৰ শিল্প, কাঠৰ কাম কৰা লোকো আছে।

গাঁৱত জীৱিকাৰ অন্যান্য উৎসৰ ভিতৰত আছে ব্ৰইলাৰ কুকুৰা পালন, চুপাৰি উদ্যোগ, দিন হাজিৰা, ক্ষুদ্ৰ ব্যৱসায়ী আদি। খোলাভূএঞাত মানুহৰ মাজত কৰ্মক্ষম বয়সৰ লোকৰ হাৰ ৪৮.৭৪ শতাংশ। কৰ্মশক্তিৰ উচ্চহাৰ, অধিক পৰ্যাপ্ততাৰ হাৰ গাঁওখন আৰু লোকসকলৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰাৰ সহায়ক।

**বস্তুগত মূলধন ঃ**

এখন গাঁৱৰ বস্তুগত মূলধন বুলিলে আন্তঃগাঁথনিগত বিকাশকেই বুজায়। এই আন্তঃগাঁথনিৰ উন্নয়নে ৰাইজৰ দৈনন্দিন কাম-কাজক সহায় কৰে। এইবোৰ হৈছে উপযুক্ত পথ, পৰিবহণ ব্যৱস্থা, শিক্ষা প্ৰতিষ্ঠান আৰু প্ৰশাসনীয় প্ৰতিষ্ঠানসমূহ আৰু বজাৰৰ পৰ্যাপ্ততা। এইবোৰ মৌলিক সা-সুবিধাৰ অনুপস্থিতিয়ে গাঁওবাসীৰ বাবে ভালেমান সমস্যাৰ সৃষ্টি কৰে।

খোলাভূএঞাত দুখন প্ৰাথমিক বিদ্যালয় আৰু এখন মধ্য ইংৰাজী বিদ্যালয় আছে যদিও উচ্চ শিক্ষা প্ৰতিষ্ঠান যেনে উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় গাঁৱৰ বাহিৰত অৱস্থিত। ফলত উচ্চ শিক্ষাৰ বাবে ইচ্ছুকসকলৰ বাবে উচ্চ শিক্ষা গ্ৰহণ কৰাটো কঠিন হৈ পৰিছে আৰু উচ্চ শিক্ষাৰ বাবে তেওঁলোক দূৰৱৰ্তী ঠাইলৈ যাবলগীয়া হৈছে।

গাঁৱৰ পথসমূহৰ অৱস্থাও সন্তোষজনক নহয়। ফলত পৰিবহণ আৰু যোগাযোগৰ বিষয়টো ৰাইজৰ বাবে প্ৰধান সমস্যা হৈ পৰিছে।

গুৰুত্বপূৰ্ণ প্ৰশাসনীয় কাৰ্যালয়সমূহ যেনে ডাকঘৰ আৰু বেংকসমূহ গাঁৱৰ পৰা যথাক্ৰমে ২ কিলোমিটাৰ আৰু ৭ কিলোমিটাৰ দূৰৈত অৱস্থিত। কাৰ্যালয়সমূহ যথেষ্ট দূৰৈত অৱস্থিত কাৰণে এইবোৰ কাৰ্যালয়ে প্ৰদান কৰা সা-সুবিধাবোৰ ৰাইজে লাভ কৰাটো কঠিন হৈ পৰিছে।

**প্ৰাকৃতিক মূলধন ঃ**

এখন গাঁৱত প্ৰাকৃতিক মূলধন বুলিলে বুজায় অসংখ্য প্ৰকাৰৰ উদ্ভিদ, জীৱ-জন্তু আৰু অন্যান্য প্ৰাকৃতিক উপকৰণৰ পৰ্যাপ্ততা। পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ সীমামূৰীয়া এলেকাত অৱস্থিত খোলাভূএঞা প্ৰাকৃতিক সম্পদত চহকী। ইয়াত আছে মাৰোকা, ঘৰশালিকা, ভাটৌ, ঘনচিৰিকা, বৰটোকোলা আদি চৰাই আৰু বনগাহৰি, গঁড়, ম'হ, শিয়াল আদি বন্যজন্তু।

এলেকাত প্ৰায় ৮০০ বিঘা মাটি সাৰুৱা। বিভিন্ন প্ৰকাৰৰ শস্য যেনে বড়োধান, পাচলি আৰু তৈলবীজ আদিৰ উৎপাদন বৃদ্ধিত এই সাৰুৱা মাটি সহায়ক। গাঁওখনৰ উত্তৰ সীমাৰে প্ৰবাহিত পকৰীয়া নৈখন হৈছে জীৱ-জন্তুৰ বাবে পানী আৰু মাছ ধৰাৰ অন্যতম উৎস।

**সামাজিক মূলধন ঃ**

এখন গাঁৱত বিভিন্ন উপাদান যেনে সামাজিক, সাংস্কৃতিক প্ৰতিষ্ঠান আৰু ধৰ্মীয় প্ৰতিষ্ঠানসমূহক সামগ্ৰিকভাৱে সামাজিক মূলধন হিচাপে গণ্য কৰা হয়। খোলাভূঞাত মহিলা সমিতি আৰু যুৱ সংঘবিলাকৰ দৰে সামাজিক প্ৰতিষ্ঠানসমূহে সামাজিক প্ৰতিনিধি হিচাপে কাম কৰে। অংগনৱাড়ী কেন্দ্ৰবিলাকে মহিলা আৰু শিশুৰ স্বাস্থ্যৰ পৰিচৰ্যা কৰাৰ বিপৰীতে গাঁৱৰ ১৩টা আত্মসহায়ক গোটে এই গোটবোৰৰ সদস্যসকলক বিত্তীয় সাহায্য আগবঢ়ায়। ধৰ্মীয় প্ৰতিষ্ঠান হিচাপে গাঁওখনত তিনিটা মছজিদ আছে।

গাঁৱত পঞ্চায়তে প্ৰশাসনীয় কৰ্তব্য পালনৰ কেন্দ্ৰ হিচাপে কাম কৰাৰ বিপৰীতে গাঁওবুঢ়াই গাঁৱৰ মানুহৰ বিবাদবোৰ নিষ্পত্তি কৰাত সহায় কৰে। তেওঁ গাঁৱৰ প্ৰতিনিধি হিচাপে ভূমিকা পালন কৰে।

**বিত্তীয় মূলধন ঃ**

গাঁৱত বিত্তীয় প্ৰতিষ্ঠানসমূহৰ উপস্থিতি আৰু ৰাইজক সাহায্য প্ৰদানৰ বাবে আগবঢ়োৱা বিভিন্ন আঁচনিসমূহকে বিত্তীয় মূলধন হিচাপে গণ্য কৰা হয়। বেংক আৰু ডাকঘৰ আদিৰ দৰে সেৱাসমূহ থকা বা নথকাটোৱেই হৈছে মূলধনৰ এক অংশ। খোলাভূঞাত ডাকঘৰ যদিও ঠিক গাঁৱৰ বাহিৰতে অৱস্থিত, কিন্তু বেংক যথেষ্ট দূৰৈত। ফলত গাঁৱৰ ৫৪৪জন বেংংক একাউণ্টৰ গৰাকীৰ বাবে বেংকৰ সা-সুবিধা লোৱাটো কঠিন হৈ পৰিছে।

গাঁওখনত ৪৫জন লোকে ক্ষুদ্ৰ বিনিয়োগ সংস্থাৰ পৰা ঋণ গ্ৰহণ কৰাৰ বিপৰীতে ৮৭জন লোকে বেংকৰ পৰা ঋণ লৈছে। গাঁওখনত এম জি এনৰেগাৰ দৰে (মহাত্মা গান্ধী নেচনেল ৰুৰেল এমপ্লয়মেণ্ট গেৰাণ্টি এক্ট) ভালেসংখ্যক চৰকাৰী আঁচনিও ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে ১০০ দিনৰ নিশ্চিত নিয়োগ প্ৰদান কৰা হৈছে আৰু পি এম জি এ ৱাই (প্ৰধান মন্ত্ৰী গ্ৰামীণ আৱাস যোজনা)ৰ জৰিয়তে গ্ৰামীণ এলেকাত আবাস প্ৰদান কৰা হৈছে।

### ৪.২ জীৱিকা সম্পদৰ পঞ্চভূজ

গাঁওখনত উপলব্ধ ৫ প্ৰকাৰৰ জীৱিকা সম্পদৰ বিশ্লেষণৰ ভিত্তিত এটা জীৱিকা-পঞ্চভূজ তৈয়াৰ কৰা হয়। জীৱিকা-পঞ্চভূজটো ভাৰসাম্যহীন আৰু উপযুক্ত জীৱিকাৰ পদক্ষেপ গ্ৰহণ কৰি ইয়াৰ দূৰত্ব কমাব পাৰি।

### ৪.৩ দুৰ্বলতাৰ পৰিপ্ৰেক্ষিত বিশ্লেষণ ঃ

জীৱিকাৰ পাঁচটা মূলধনৰ আটাইকেইটাত চহকী হোৱা সত্বেও বানপানী, বন্যপ্ৰাণীৰ উপদ্ৰৱ, ৰোগ আদিৰ দৰে বৰ্তমান দুৰ্বলতাবোৰে গাঁওখনৰ সামগ্ৰিক উন্নয়নক ব্যাহত কৰিছে। গাঁৱত জীৱিকা উন্নত কৰাৰ ক্ষেত্ৰত এইবোৰ দুৰ্বলতাই এক নেতিবাচক প্ৰভাৱ পেলাইছে।

খোলাভূঞাত এপ্ৰিলৰ পুৰা আগষ্টলৈকে সময়ছোৱাত বানপানী হয় আৰু ইয়াৰ ফলত প্ৰায় ২৮০টা পৰিয়াল ক্ষতিগ্ৰস্ত হয়। তদুপৰি, ইয়াৰ ফলত ডায়েৰিয়া, জ্বৰ আদি বেমাৰো বিয়পি পৰে। বানপানীৰ সময়ত সঘনে পানীও আৱদ্ধ হৈ পৰে আৰু তেতিয়া বৈদ্যুতিক শ্বৰ্ট ছাৰ্কিটৰ কাৰণে মৃত্যুৰ ঘটনাও ঘটিছে। বন্যপ্ৰাণীৰ উপদ্ৰৱত (গঁড় আৰু হাতী) শস্য বিনষ্ট হোৱাৰ দৰে এক ডাঙৰ সমস্যাৰো মুখামুখি হয় গাঁওবাসী।

### ৪.৪ ঋতু অনুযায়ী কৃষিৰ দিনপঞ্জী

ঋতু অনুসৰি কৃষি পঞ্জিকাত গাঁওখনত বিভিন্ন শস্য উৎপাদনৰ ঋতু আৰু ঘটি থকা দুৰ্যোগ/ ৰোগ আদি দেখুওৱা হৈছে। এই তালিকা সম্প্ৰদায়ৰ সৈতে আলোচনাৰ জৰিয়তে প্ৰস্তুত কৰা হৈছে।

ফেব্ৰুৱাৰীৰ পৰা মে' মাহলৈকে বড়োধানৰ খেতি কৰা হয়। নৱেম্বৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাহলৈকে সৰিয়হ খেতি কৰা হয়

আৰু গোটেই বছৰজুৰি বিলাহী, ৰঙালাউ আদি পাচলি উৎপাদন কৰা হয়।

ফেব্ৰুৱাৰীৰ পৰা মে' মাহলৈকে শস্য পথাৰত গঁড় আদিৰ দৰে বন্যপ্ৰাণীৰ উপদ্ৰৱ ঘটে আৰু ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰলৈকে চলে বনগাহৰিৰ উপদ্ৰৱ।

বানপানীৰ দৰে দুৰ্যোগৰ ফলতো ক্ষতিসাধন হয় আৰু এলেকাত উপযুক্ত চিকিৎসা ব্যৱস্থা নথকাত বেমাৰ আদিও বিয়পি পৰে।

**খোলাভূঞা ই ডি চিৰ ঋতু অনুসৰি কৃষিপঞ্জিকা**

<table>
<tr><th rowspan="2">বিৱৰণ</th><th colspan="12">মাহ</th></tr>
<tr><th>জানু</th><th>ফেব্ৰু</th><th>মাৰ্চ</th><th>এপ্ৰিল</th><th>মে'</th><th>জুন</th><th>জুলাই</th><th>আগষ্ট</th><th>ছেপ্টে</th><th>অক্টো</th><th>নৱে</th><th>ডিচে</th></tr>
<tr><td rowspan="3"></td><td></td><td colspan="4">বড়ো ধান</td><td></td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td colspan="2">সৰিয়হ</td><td></td><td></td><td></td><td></td><td></td><td></td><td></td><td></td><td colspan="2">সৰিয়হ</td></tr>
<tr><td colspan="12">পাচলি</td></tr>
<tr><td rowspan="3">দুৰ্যোগ<br>(বানপানী আৰু বন্য প্ৰাণীৰ উপদ্ৰৱ)</td><td></td><td></td><td></td><td colspan="5">বানপানী / পানী আবদ্ধ হৈ থকা</td><td></td><td></td><td></td><td></td></tr>
<tr><td></td><td colspan="4">গঁড়</td><td></td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td></td><td></td><td></td><td></td><td></td><td></td><td></td><td></td><td colspan="4">বন গাহৰি</td></tr>
<tr><td>ৰোগ</td><td></td><td></td><td></td><td></td><td colspan="5">ডায়েৰিয়া আৰু জ্বৰ</td><td></td><td></td><td></td></tr>
</table>

## ৫। বৰ্তমান পৰিকল্পনা আৰু কাৰ্যসূচী

ক্ষুদ্ৰ পৰিকল্পনাত প্ৰত্যক্ষভাৱে প্ৰভাৱ পৰা কেতবোৰ গুৰুত্বপূৰ্ণ পৰিকল্পনা, এইবোৰৰ ৰূপায়ণ পদ্ধতি আৰু প্ৰক্ৰিয়া সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰা হৈছে। ইয়াৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে ৰাজ্যখনৰ বনাঞ্চল এলেকাত বনানীকৰণ আৰু বন্যপ্ৰাণী সংৰক্ষণ আৰু স্থিতিশীল উন্নয়নৰ বাবে প্ৰণয়ন কৰা সামগ্ৰিক কৰ্ম পৰিকল্পনা। বন্যপ্ৰাণী এলেকাত এই পৰিকল্পনাক কোৱা হয় ব্যৱস্থাপনা পৰিকল্পনা আৰু ব্যাঘ্ৰ সংৰক্ষণ এলেকাত ইয়াক কোৱা হয় ব্যাঘ্ৰ সংৰক্ষণ পৰিকল্পনা। তদুপৰি, অন্যান্য কিছু আঁচনিও আছে, যেনে জনজাতি উপ-পৰিকল্পনা (টি এছ পি), অনুসূচিত জাতি-পৰিকল্পনা (এছ চি পি), যিবোৰ বন বিভাগৰ জৰিয়তে বনাঞ্চল গাঁওসমূহত ৰূপায়ণ কৰা হয়। আন কেইবাটাও বিভাগে স্বাস্থ্য, শিক্ষা, শক্তি, জলসিঞ্চন আৰু জীৱিকাৰ ব্যৱস্থাৰ আঁচনিবোৰ ৰূপায়ণ কৰে। এই বিভাগসমূহে প্ৰায়েই বনাঞ্চল গাঁওবোৰত বিভিন্ন আঁচনি ৰূপায়ণ কৰে।

অসম যুটীয়া (ৰাইজৰ অংশগ্ৰহণ) বনানীকৰণ ব্যৱস্থাপনা বিধি, ১৯৯৮ বলৱৎ হোৱাৰ পিছত যুটীয়া বনাঞ্চল ব্যৱস্থাপনা আৰম্ভ কৰা হয় আৰু ২০০২ চনত জে এফ এম চি আৰু ই ডি চিসমূহ গঠন কৰা হয়। ইয়াৰ পূৰ্বে কিছু কৰ্মপৰিকল্পনাৰ জৰিয়তে যুটীয়া বন ব্যৱস্থাপনা বা জে এফ এম চি চক্ৰসমূহ গঠনৰ পৰামৰ্শ দিয়া হৈছিল। অৱশ্যে ৰাষ্ট্ৰীয় কৰ্মপৰিকল্পনা বিধি (কোড), ২০১৪ৰ জৰিয়তে ক্ষুদ্ৰ পৰিকল্পনা ৰূপায়ণত গুৰুত্ব দিয়াৰ উপৰি এইবোৰৰ ৰূপায়ণৰ বাবে বিতং নীতি-নিৰ্দেশনাও সন্নিৱিষ্ট কৰা হৈছিল। এই ক্ষুদ্ৰ পৰিকল্পনা ২০১৪ চনৰ ৰাষ্ট্ৰীয় কৰ্ম পৰিকল্পনা বিধিৰ আধাৰত প্ৰস্তুত কৰা হৈছিল। গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলৰ মাণ্ডলিক বন বিষয়া এছ কে শীল শৰ্মাৰ দ্বাৰা পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ ব্যৱস্থাপনা পৰিকল্পনাৰ ওপৰত ভিত্তি কৰি ২০১১-২০১৬ কালছোৱাৰ বাবে এই অধ্যায় লিখিত হৈছে।

### ৫.১ অৱস্থিতি, প্ৰসাৰ, সীমা আৰু প্ৰভাৱাধীন অঞ্চলৰ প্ৰাকৃতিক বৈশিষ্ট্য ঃ

পবিতৰা অভয়াৰণ্যৰ সীমাৰ পৰা ৫ কিলোমিটাৰ পৰিধিৰ ভিতৰৰ অভয়াৰণ্যৰ চতুৰ্দিশৰ এলেকাক প্ৰভাৱাধানী অঞ্চল বুলি গণ্য কৰা হয়। অভয়াৰণ্যৰ সীমাৰ পৰা ১ কিলোমিটাৰ পৰিধিৰ ভিতৰত সৰ্বমুঠ ২৭খন গাঁও আছে। বন্যপ্ৰাণী সংৰক্ষণৰ

বিষয়ত এই গাঁওবিলাক অত্যন্ত গুৰুত্বপূৰ্ণ যদিও অভয়াৰণ্যৰ ৫ কিলোমিটাৰ পৰিধিৰ ভিতৰত থকা গাঁওবিলাকৰ প্ৰভাৱ ন্যূনতম। অভয়াৰণ্যৰ উত্তৰ আৰু পশ্চিম দিশৰ গাঁওসমূহৰ বাসিন্দাসকল হৈছে অসমীয়া হিন্দু সম্প্ৰদায়ৰ। পূব দিশৰ অংশৰ গাঁওবিলাকৰ বাসিন্দাসকল পমুৱা মুছলিম। আনহাতে, দক্ষিণ অংশৰ গাঁওবিলাকত বসবাস কৰে বঙালী হিন্দু আৰু নেপালী সম্প্ৰদায়ৰ মানুহে। গাঁওবিলাকৰ নাম তলৰ তালিকাত উল্লেখ কৰা হৈছে। পশুচাৰণ, কাঠখৰি সংগ্ৰহ, বেআইনীভাৱে মাছধৰা আদি কেতবোৰ কাৰ্যকলাপ হৈছে গাঁওসমূহৰ বনাঞ্চলৰ ওপৰত নিৰ্বৰশীলতাৰ ধৰণ। অধিকাংশ গাঁওবাসী হৈছে কৃষক। কিছুসংখ্যক গাঁও কামৰূপ জিলাত অৱস্থিত।

প্ৰভাৱাধীন অঞ্চলৰ প্ৰাকৃতিক বৈশিষ্ট্যবোৰ বন্যপ্ৰাণীৰ অস্তিত্বৰ বাবে অত্যন্ত ইতিবাচক। পবিতৰা অভয়াৰণ্যৰ দক্ষিণ সীমাৰ পৰা ৪ কিলোমিটাৰ দূৰৈত প্ৰৱাহিত হৈছে কপিলি নৈ। অভয়াৰণ্যৰ পূব দিশৰ ঠিক পৰিধিৰ কাষেৰে প্ৰৱাহিত হৈছে পকৰীয়া নৈ। আনহাতে, দক্ষিণ দিশত থকা বৰবিল্লা আৰু কান্দুলীপথাৰো পবিতৰা অভয়াৰণ্যৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ।

## ৫.১ ঃ সংৰক্ষিত এলেকাৰ ভিতৰ আৰু বাহিৰৰ গাঁওসমূহ, জনগোষ্ঠীয় পৰিচয়, পৰম্পৰা, ৰীতি-নীতি, পৃথক পৃথক বৈশিষ্ট্যপূৰ্ণ গোষ্ঠীৰ মানুহৰ মাজৰ সম্পৰ্ক, বনাঞ্চলৰ সৈতে সম্পৰ্ক ঃ

সংৰক্ষিত এলেকাৰ ভিতৰভাগত কোনো গাঁও নাই। কিন্তু অভয়াৰণ্যৰ চাৰিও দিশৰ পৰা বিভিন্ন সম্প্ৰদায়ৰ গাঁৱৰ (Civil villages) দ্বাৰা পৰিবেষ্টিত হৈ আছে। গাঁওবিলাকৰ শেহতীয়া তথ্য সংগ্ৰহ কৰিব পৰা হোৱা নাই। গতিকে পৰিকল্পনাত 'সীমামূৰীয়া গাঁও আৰু পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য আৰু পৰিৱেশ-উন্নয়ন সমীক্ষা'ৰ (১৯৯৪ চনত প্ৰকাশিত) পৰা উদ্ধৃতি দিয়া হৈছে। সবিশেষ তথ্য প্ৰকাশ আৰু উপলব্ধ হ'লেই উদ্ধৃতিবোৰ সংশোধন কৰা হ'ব।

অভয়াৰণ্যৰ চাৰিওফালৰ গাঁওসমূহৰ নামৰ তালিকা তলত দিয়া হ'ল।

| ক্ৰমিক নং | গাঁওসমূহ | অভয়াৰণ্যৰ পৰা অৱস্থানৰ দিশ | জনগোষ্ঠী |
|---|---|---|---|
| ১ | ৰজামায়ং | উত্তৰ | অসমীয়া হিন্দু (কোঁচ, যোগী, কলিতা আদি) |
| ২ | বুঢ়ামায়ং | উত্তৰ-পশ্চিম | অসমীয়া হিন্দু (কোঁচ, যোগী, কলিতা আদি) |
| ৩ | লুনমাটি | উত্তৰ-পশ্চিম | অসমীয়া হিন্দু (কোঁচ, যোগী, কলিতা আদি) |
| ৪ | ঔগুড়ি | উত্তৰ-পশ্চিম | অসমীয়া হিন্দু (কোঁচ, যোগী, কলিতা আদি) |
| ৫ | সাতভেটি | উত্তৰ-পশ্চিম | অসমীয়া হিন্দু (কোঁচ, যোগী, কলিতা আদি) |
| ৬ | শিলডুবি | উত্তৰ-পশ্চিম | অসমীয়া হিন্দু (কোঁচ, যোগী, কলিতা) আৰু জনজাতি |
| ৭ | হাতীপাৰা | দক্ষিণ | নেপালী, অসমীয়া, বঙালী |
| ৮ | হাতীমূৰীয়া | উত্তৰ | অসমীয়া হিন্দু |
| ৯ | কমাৰপুৰ | দক্ষিণ-পশ্চিম | অসমীয়া হিন্দু |
| ১০ | কৰণিবৰী | পূব | পমুৱা মুছলিম, অসমীয়া হিন্দু |
| ১১ | বুঢ়াবুঢ়ী | পূব | পমুৱা মুছলিম, অসমীয়া হিন্দু |
| ১২ | কুকুৰাৰী | পূব | পমুৱা মুছলিম, অসমীয়া হিন্দু |
| ১৩ | নেকেৰাহাবি | পূব | পমুৱা মুছলিম, অসমীয়া হিন্দু |
| ১৪ | ডিপ্ৰাং | দক্ষিণ | বঙালী, হিন্দু, অসমীয়া |
| ১৫ | ঠেংভঙা | দক্ষিণ | নেপালী (সাধাৰণ) |
| ১৬ | গুৰুবন্ধা | দক্ষিণ | অসমীয়া হিন্দু |
| ১৭ | কীটাশিলা | উত্তৰ | অসমীয়া হিন্দু |
| ১৮ | খনুখুন্দা-১ | পশ্চিম | অসমীয়া হিন্দু |
| ১৯ | গোৰটি | উত্তৰ-পশ্চিম | অসমীয়া, গাৰো, বঙালী |
| ২০ | মূৰকটা ১ আৰু ২ | উত্তৰ | বঙালী (সাধাৰণ/অনুসূচিত জাতি) |
| ২১ | ধনুখুন্দা-২ | পশ্চিম | অসমীয়া, বঙালী (সাধাৰণ, অনুসূচিত জাতি/অ'বিচি) |

সকলো গাঁওবাসীৰ ভিতৰত অসমীয়া হিন্দুসকল হৈছে এলিট (অভিজাত) শ্ৰেণীৰ। শিক্ষাগত আৰু সাংস্কৃতিক দিশত বাকীসকল গাঁওবাসীতকৈ তেওঁলোক আগবঢ়া। পমুৱা মুছলিমসকল পূৰ্বে পূৰ্বৰ পূব পাকিস্তান আৰু বৰ্তমান বাংলাদেশৰ বাসিন্দা আছিল। এইসকল লোক এতিয়া বৃহত্তৰ অসমীয়া সমাজত মিলি গৈ আছে আৰু স্থানীয় মানুহৰ পৰম্পৰাত অংশগ্ৰহণ কৰি আছে। এইসকল গাঁওবাসী নিৰক্ষৰ, দাৰিদ্ৰ্য আৰু তেওঁলোকৰ কিছুমান অতীতত চোৰাং চিকাৰত জড়িত আছিল। পৰিয়াল পৰিকল্পনাৰ উপায়সমূহ তেওঁলোকে খুব কমেই অনুসৰণ কৰে। ফলত তেওঁলোকৰ জনসংখ্যা অত্যন্ত দ্ৰুতগতিৰে বাঢ়ি আছে। নেপালী সম্প্ৰদায়ৰ মানুহে প্ৰথমাৱস্থাত গাখীৰ উৎপাদনৰ বাবে পশুপালন কাৰ্যত যুক্ত আছিল। এতিয়া তেওঁলোকে খেতি-বাতি আৰু ব্যৱসায় আদিও কৰি আছে। তেওঁলোকৰ কাৰ্যকলাপ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত প্ৰতিবন্ধক হিচাপে দৃষ্টিগোচৰ হোৱা নাই। তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা বৰ ভাল নহয় আৰু সাক্ষৰতাৰ হাৰো তুলনামূলকভাৱে কম। বঙালী হিন্দুসকল কৃষক আৰু তেওঁলোকৰ অধিকাংশই নিৰক্ষৰ আৰু দাৰিদ্ৰ্য। তেওঁলোকৰো আদি বাসস্থান পূৰ্বৰ পূব পাকিস্তান বা বৰ্তমান বাংলাদেশ। তেওঁলোকৰ পৰিচয় স্বতন্ত্ৰ আৰু অসমীয়া সমাজত তেওঁলোকৰ মিশ্ৰণ অত্যন্ত ধীৰ গতিৰ। তেওঁলোকৰ অতীত কাম-কাজো বন্যপ্ৰাণী সংৰক্ষণৰ বাবে পৰিপন্থী হিচাপে দৃষ্টিগোচৰ হোৱা নাই।

বনাঞ্চলৰ সৈতে সম্পৰ্ক বুলিলে সাধাৰণতে বুজায় নিৰ্ভৰতা আৰু কাঠখৰি সংগ্ৰহ, জলাশয়ৰ পৰা মাছধৰা, পশুচাৰণ, খেৰ, ঘাঁহ সংগ্ৰহ। ১৯৯১ চনৰ লোকপিয়লৰ ভিত্তিত আৰু পূৰ্বে উল্লেখ কৰা প্ৰতিবেদন অনুসৰি তলতৰ তালিকাত গাঁওসমূহৰ পশুচাৰণ, কাঠখৰি সংগ্ৰহ আৰু নিৰ্ভৰতাৰ পৰিপ্ৰেক্ষিতত নিৰ্ভৰতাৰ ধৰণ উল্লেখ কৰা হ'ল ঃ

| গাঁওসমূহ | মুঠ পৰিয়াল | | উৎস | | পশুধনৰ সংখ্যা | | অভয়াৰণ্যত (পি ডব্লিউ এল এছ) |
|---|---|---|---|---|---|---|---|
| | | | পি ডব্লিউ এল এছ (অভয়াৰণ্য) | নিজস্ব | | | |
| | ১৯৯১ | ২০০৯ | | | ১৯৯১ | ২০০৯ | — |
| কৰণিবৰী | ৬০০ | — | ৪৫০ | ১৫০ | ১৪০ | — | — |
| বুঢ়াবড়ী | ৫৮২ | — | ৩৯০ | ১৯২ | ৩৩৯ | — | ৩২ |
| কুকনি | ১৬৭ | ২৬১ | ১৬৭ | — | ২৫১ | ৬৪১ | ৭১ |
| নেকেৰাবাৰী | ১৩২ | ১৬৫ | ১২০ | ১২ | ১৫৭ | ২৬৩ | — |
| ডিপ্ৰাং | ১১৬ | ১৩৯ | ১১০ | ৬ | ৩২৮ | ৫৫৬ | — |
| ঠেংভঙা | ৪০৬ | ৫০০ | ৩৮০ | ২৬ | ১১০ | ২০০০ | — |
| গুৰুবন্ধা | ১০১ | ৭০ | ৬০ | ৪১ | ২৭১ | ২১০ | ১ |
| মূৰকটা ১ | ৯০ | ২০৮ | ৫০ | ৪০ | ১৮১ | ৮৩২ | ১ |
| মূৰকটা ২ | ৫২ | | ৫০ | ২ | ১০৪ | | ১০ |
| কীটাশিলা | ৪১ | — | ৩৬ | ৫ | — | | |
| ধনু খুন্দা ১ | ৪১ | — | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | — | | |
| ধনু খুন্দা ২ | ১৪৪ | — | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | — | | |
| গোৰটি | ৯৫ | — | ৮৮ | ৭ | — | | |
| লুনমাটি | ৫১ | ৫৫ | ১২ | ৬ | — | ১১০ | |
| হাতীগড় | ৩৭ | ৪৮ | — | ২৩ | — | ২৪০ | |
| ঔগুড়ি | ৬৭ | ১১০ | — | ৬৬ | — | ৫৫০ | |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| শিলডুবি | ৪০ | ৪৫ | ৪ | ৩৫ | — | ২২৫ | |
| সাতভেটি | ৭২ | ১১০ | ৭১ | ১ | — | ৫৫০ | |
| বুঢ়া মায়ং | ৭২ | — | ৭২ | — | — | | |
| ৰজা মায়ং | ২৫২ | ৪০০ | ৭৯ | — | — | ১০৭৫ | |
| হাতীমূৰীয়া | ৯৫ | ৩৬১ | ৯০ | ৩৯ | — | ১০৫৩ | |
| কোনাৰপাৰ | ২০ | ৪ | ১১ | | | | |

## ৫.১.৩ ঃ ৰাইজৰ অৰ্থনৈতিক অৱস্থা, বৃত্তি, ভূমিৰ ব্যৱহাৰ, ৰাইজৰ দ্বাৰা বনাঞ্চল আৰু বনাঞ্চল বহিৰ্ভূত প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ আৰু ঋতুকালীন ধৰণ

প্ৰধান শস্য বড়োধান। গাঁৱত এই ধানৰেই ব্যাপকভাৱে খেতি কৰা হয়। ক্ষুদ্ৰ জলসিঞ্চনৰ বাহিৰে জলসিঞ্চনৰ কোনো ব্যৱস্থা নাই। সেয়ে বানপ্ৰৱণ এই এলেকাত সাধাৰণতে বড়োধানৰেই খেতি কৰা হয়। সীমামূৰীয়া গাঁওবিলাকত চলোৱা সমীক্ষা অনুসৰি মায়ং এলেকাত বড়োধানৰ প্ৰতিবিঘাত গড় উৎপাদনৰ পৰিমাণ হৈছে ৬-৮ কুইণ্টল। পাৱাৰ পাম্প ব্যাপকভাৱে ব্যৱহাৰ কৰা হয় আৰু পাৱাৰ পাম্প, ইন্ধন আৰু সাৰৰ ব্যয় বিপুল। ৰজামায়ং, লুনমাটি আৰু হাতীমূৰীয়াত ধান উৎপাদনত লোকচান হয় যদিও দাইল আৰু তামোলৰ উল্লেখযোগ্য পৰিমাণে উৎপাদনৰ ফলত এই লোকচান কিছু পৰিমাণে পূৰণ হয়। কিন্তু ঔগুৰি গাঁৱত গুৰুতৰ লোকচানৰেই অভিজ্ঞতা হৈছে।

বৰ্তমান উপলব্ধ মাটি ইতিমধ্যেই বাসিন্দা আৰু পমুৱা লোকসকলে দখল কৰি লৈছে। অঞ্চলটো বানপ্ৰৱণ হোৱা বাবে দাৰিদ্ৰ্য কৃষকসকলে অনা-খেতিৰ ঋতুত অন্যান্য কাম-কাজ কৰে যদিও তেওঁলোকে তাৰ পৰা হোৱা আয়ৰ পৰিমাণ অত্যন্ত কম। ঋতুকালীন প্ৰব্ৰজনো দৃষ্টিগোচৰ হোৱা নাই। বছৰজুৰি মাছধৰা, খেৰ সংগ্ৰহ আদি কাৰ্যৰ পৰাও যথেষ্ট উপাৰ্জন নহয়গৈ। চতুৰ্দিশৰ এলেকাৰ মানুহৰ ভূমি মালিকানাৰ হাৰো কম। পৰিয়ালসমূহৰ জনসংখ্যাৰ প্ৰায় ২২ শতাংশই ভূমিহীন, ৪৫.০৫ শতাংশ ক্ষুদ্ৰ কৃষক আৰু ভূমিৰ গৰাকী আৰু ঘৰৰ মাটি থকা কিন্তু প্ৰতিবেশী আনৰ মাটিত খেতি কৰা লোকৰ সংখ্যা ৩৩.৫ শতাংশ। চুবুৰীয়া কিছু গাঁৱত সকলো মানুহেই কৃষিকাৰ্যত জড়িত আৰু তেওঁলোকৰ কৰ্মক্ষমৰ সৰ্বোচ্চ হাৰ ২২ শতাংশ।

সীমামূৰীয়া গাঁওবোৰৰ জনসংখ্যা বৃদ্ধিৰ বিভিন্ন প্ৰৱণতা দেখা গৈছে। য'ত সীমামূৰীয়া মূল বসতিবিলাকত ১৯৪১ৰ পৰা ১৯৯১লৈকে জনসংখ্যা বৃদ্ধিৰ হাৰ ৪৪ শতাংশ, তাৰ বিপৰীতে এই সময়ছোৱাত পমুৱা গাঁওবিলাকত জনসংখ্যা বৃদ্ধিৰ হাৰ ১০১ শতাংশ। সীমামূৰীয়া গাঁওবিলাকত পূৰ্বে উল্লেখ কৰা সমীক্ষা অনুসৰি জনসংখ্যা বৃদ্ধিৰ তথ্য তলত দিয়া হ'ল—

**জনসংখ্যাৰ দশকভিত্তিক বৃদ্ধিৰ শতাংশ হাৰ (১৯৪১-১৯৯১)**

| | ১৯৪১-৫১ | ১৯৫১-৬১ | ১৯৬১-৭১ | ১৯৭১-৯১ |
|---|---|---|---|---|
| স্থানীয় বসতি বা মূল গাঁওবোৰ | ৩৪% | ৬৪% | ২৯% | ৪৯% |
| পমুৱা বাঙালী হিন্দু | ৫০% | ৫০% | ৬৬% | ১০০% |
| পমুৱা মুছলিম | ২২৬% | ৫৬% | ১৫৬% | ৮৫% |

সীমামূৰীয়া গাঁৱত সাধাৰণ স্বাস্থ্য আৰু চিকিৎসা ব্যৱস্থা অত্যন্ত শোচনীয়। ডায়েৰিয়া (পেটচলা) আৰু মেলেৰিয়া অত্যন্ত সাধাৰণ কথা। অপুষ্টিও অত্যধিক। কৃমিৰ (পেলু) সংক্ৰমণ আৰু পানীৰ পৰা উৎপত্তি হোৱা বেমাৰ সঘনেই হয়। খোৱাপানীৰ উৎস প্ৰধানকৈ কুঁৱা আৰু মুকলি কেঁচা কুঁৱা। চিকিৎসা-শিক্ষাৰ কোনো সুবিধা নাই। গাঁৱত অনাময় আৰু স্বাস্থ্যসন্মত ব্যৱস্থাও অত্যন্ত শোচনীয়।

**৫.১.৪ ঃ সংৰক্ষিত এলেকাৰ সংৰক্ষণত ভূমি ব্যৱহাৰ সম্পদৰ নিৰ্ভৰতাৰ প্ৰভাৱ**

**ক) পশুচাৰণ ঃ** ২৭খন গাঁৱৰ গৰু, ম'হ, ছাগলী আদিকে ধৰি মুঠ পশুধনৰ সংখ্যা ১০,০০০টাৰো অধিক হ'বগৈ। নিকটৱৰ্তী এলেকাত চাৰণৰ বাবে সংৰক্ষিত ভূমি নাই। ফলত বিপুলসংখ্যক পশুধনক চাৰণৰ বাবে অভয়াৰণ্যতে মেলি দিয়া হয়। পশুচাৰণৰ এই হেঁচাত অৱশেষত বন্য পশুৰ বসতিৰ ক্ষতি হৈছে।

**খ) কৃষি ঃ** গাঁওবাসীৰ ভূমি মালিকানা অত্যন্ত ক্ষুদ্ৰ আৰু একাংশ লোক ভূমিহীন। গতিকে সৰহসংখ্যক লোকে ঋতু অনুসৰি জীৱিকা অৰ্জন কৰে। এলেকাত জলসিঞ্চন ব্যৱস্থা নাই আৰু কিছুসংখ্যক ঠাইৰ বাহিৰে অধিকাংশ লোকে এটা শস্যৰ খেতি কৰে। এনে ধৰণৰ পৰিস্থিতিত দাৰিদ্ৰ্য মানুহৰ কাঠখৰি সংগ্ৰহ, গছকটা আৰু পশুচাৰণত প্ৰলোভিত হয়। এই লোকসকলে ঋতুভিত্তিত অভয়াৰণ্যৰ ভিতৰভাগত প্ৰৱেশ কৰে।

**গ) মাছধৰা ঃ** বছৰৰ কৃষিকাৰ্য নকৰা সময়ছোৱাত ভূমিহীন লোকসকলে তেওঁলোকৰ জীৱিকাৰ কাৰণে সংৰক্ষিত এলেকাৰ ভিতৰলৈ গৈ বেআইনীভাৱে মাছধৰে। এই বনাঞ্চলক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ পূৰ্বে মাছৰ মহলবিলাক জনসাধাৰণক লীজত দিয়া হৈছিল। কিন্তু এতিয়া অভয়াৰণ্যত মাছধৰা নিষিদ্ধ কৰা হৈছে।

**ঘ) কাঠখৰি, সৰু কাঠ সংগ্ৰহ ঃ** অধিকাংশ লোক কাঠখৰি আৰু সৰু কাঠৰ বাবে সংৰক্ষিত এলেকাৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে তেওঁলোকৰ ঘৰুৱা ব্যৱহাৰৰ কাৰণে এইবোৰ সংগ্ৰহ কৰে। ব্যাপক উন্নয়ন কৰ্মসূচী গ্ৰহণৰ জৰিয়তে ভূমি ব্যৱহাৰৰ পৰিণতি আৰু সংৰক্ষিত এলেকা সংৰক্ষণৰ ক্ষেত্ৰত সম্পদৰ ওপৰত নিৰ্ভৰতা কমাব লাগিব। এতিয়ালৈকে পৰিৱেশ-উন্নয়ন কৰ্মসূচীৰ অধীনত আৰম্ভ কৰা কাম-কাজে সংৰক্ষিত এলেকাৰ ওপৰত গাঁওবাসীৰ নিভৰশীলতা হ্ৰাস কৰাত সহায় কৰিছে। কিন্তু ভৱিষ্যতে সংশ্লিষ্ট গাঁৱত ক্ষুদ্ৰ পৰিকল্পনাত অধিকভাৱে নিৰ্দিষ্ট স্থানভিত্তিক কৰ্মসূচী গ্ৰহণ কৰিব লাগিব।

**৫.১.৫ ঃ সংৰক্ষিত এলেকা ব্যৱস্থাপনা অনুশীলন আৰু ৰাইজৰ বাবে সেইবোৰৰ তাৎপৰ্য ঃ**

সংৰক্ষিত এলেকা হিচাপে ঘোষণা কৰাৰ পূৰ্বে স্থানীয় লোকে এই এলেকাক চৰণীয়া পথাৰ আৰু 'খুঁটি' হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁলোকে মাছৰ মহলবিলাক লীজত লৈছিল আৰু লাভৱান হৈছিল। অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ লগে লগে অবাধ চলাচল আৰু সা-সুবিধাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হয়। প্ৰভাৱাধীন অঞ্চলত জনসাধাৰণৰ ওপৰত সংৰক্ষিত এলেকাই কিছু নেতিবাচক প্ৰভাৱো পেলায়। অৱশ্যে চতুৰ্দিশে বসবাস কৰা জনসাধাৰণৰ সৈতে ৰক্ষা কৰা সম্পৰ্কৰ ক্ষেত্ৰত সংৰক্ষিত এলেকাৰ নেতিবাচক প্ৰভাৱে কোনো গুৰুতৰ অৱস্থাৰ সৃষ্টি কৰা নাই। সংৰক্ষিত এলেকা হিচাপে কৰা ঘোষণাই পাৰ্শ্বৱৰ্তী গাঁওবাসীৰ ওপৰত কিছু হেঁচা সৃষ্টি কৰিছে। মাছ আৰু খেৰৰ মহলবোৰ বন্ধ কৰি দিয়া হৈছে। পশুচাৰণ, কাঠখৰি সংগ্ৰহ, কাঠভিন্ন বনজ উৎপাদন (এন ডব্লিউ এফ পি) সৰু কাঠ আদি সংগ্ৰহৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাহৈছে। অৱশ্যে তৎসত্বেও গাঁওবাসীয়ে তেওঁলোকৰ ঘৰুৱা ব্যৱহাৰৰ কাৰণে এইবোৰ বেআইনীভাৱে সংগ্ৰহ কৰাৰ চেষ্টা কৰে। বন্যপ্ৰাণীৰ আক্ৰমণত শস্য বিনষ্ট আৰু মানুহ আহত হোৱাৰ বাবে পলমকৈ আৰু পৰ্যাপ্ত পৰিমাণে ক্ষতিপূৰণ নিদিয়াতো কিছু নেতিবাচক প্ৰভাৱ পৰিছে।

**৫.২ ঃ উন্নয়ন কৰ্মসূচী আৰু সংৰক্ষণৰ বিষয়বোৰ ঃ**

**৫.২.১ ঃ উন্নয়নৰ বাবে লোৱা আঁচনিৰ চৰকাৰ আৰু বেচৰকাৰী সংস্থাৰ মূল্যায়ন। সংৰক্ষিত এলেকা, প্ৰভাৱাধীন অঞ্চল আৰু জনসাধাৰণৰ বাবে তাৎপৰ্য**

বন বিভাগে সাধাৰণতে অভয়াৰণ্যৰ আশেপাশে পৰিৱেশ-উন্নয়ন আঁচনিৰ অধীনত কিছুমান কৰ্মসূচী গ্ৰহণ কৰে। গাঁওবাসীৰ মাজত আস্থা গঢ়ি তোলা আৰু জীৱিকাৰ বিকল্প উপায় সন্ধানৰ বাবে গাঁওবাসীক সহায় কৰাৰ উদ্দেশ্যেই কৰ্মসূচীসমূহ গ্ৰহণ কৰা হয়।

বিগত কিছু বছৰত বিভিন্ন আঁচনিৰ অধীনত ইতিমধ্যেই হাতত লোৱা কিছুমান কাম তলত উল্লেখ কৰা হ'ল ঃ

১) বিদ্যালয়, মহাবিদ্যালয় আৰু গুৰুত্বপূৰ্ণ ৰাজহুৱা ঠাইত খোৱাপানী যোগান ব্যৱস্থা স্থাপন।

২) মানুহৰ বাবে স্বাস্থ্য পৰীক্ষা শিবিৰ।

৩) টীকাকৰণ/পশু চিকিৎসা শিবিৰ।

৪) ধোঁৱা নিৰ্গত নোহোৱা চুলা বিতৰণ।

৫) প্ৰতিষ্ঠানসমূহলৈ ক্ৰীড়া সামগ্ৰী বিতৰণ।

৬) কৃষিৰ বাবে পানী উত্তোলনৰ পাম্পছেট প্ৰদান।

অধিক শস্য উৎপাদনৰ বাবে খেতিপথাৰত সাৰ আৰু কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিবলৈ কৃষি বিভাগে গাঁওবাসীক উৎসাহ দিছে। কিন্তু এইবোৰৰ ব্যৱহাৰৰ ফলত সংৰক্ষিত এলেকাৰ জলাশয় আৰু তৃণভূমিত নেতিবাচক প্ৰভাৱ পৰিছে।

সংৰক্ষিত এলেকাৰ সীমামূৰীয়া গাঁওবিলাকত জিলা গ্ৰামোন্নয়ন সংস্থাৰ দ্বাৰা বিভিন্ন বিভাগীয় কাম-কাজৰ উপৰি অন্যান্য উন্নয়নমূলক কাম-কাজো আৰম্ভ কৰা হৈছে।

এইবোৰৰ উপৰি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় আৰু আৰ্লী বাৰ্ডেও (এন জি অ') সীমামূৰীয়া গাঁওবিলাকত স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰিছে। আন এটা এন জি অ' আৰণ্যকে সংৰক্ষণ কাৰ্যত বন বিভাগক সহায় কৰিবলৈ স্থানীয় যুৱকসকলক আৰ্থিক সাহায্যও আগবঢ়াইছে। ৱাইল্ড লাইফ ট্ৰাষ্ট অব্ ইণ্ডিয়া (ডব্লিউ টি আই) নামৰ আন এটা এন জি অ'ই কৰ্মীসকলৰ মাজত ফিল্ড কিট আৰু গিয়েৰ বিতৰণ কৰিছে। এতিয়ালৈকে এন জি অ'সমূহে সংৰক্ষিত এলেকা আৰু কৰ্মীসকলক নিম্নোক্ত সামগ্ৰীবোৰ দান কৰিছেঃ

| তাৰিখ | এন জি অ' | দান কৰা সামগ্ৰী |
|---|---|---|
| ১৮/০১/১৯৯৯ | ৰাইন' ফাউণ্ডেচন ফৰ নৰ্থ ইষ্ট ইণ্ডিয়া | ৯টা ৱায়াৰলেছ ছেট |
| ১৪/০১/২০০০ | ৰাইন' ফাউণ্ডেচন ফৰ নৰ্থ ইষ্ট ইণ্ডিয়া | দুখন মটৰ চাইকেল |
| ১৭/০৬/২০০১ | ডব্লিউ টি আই | টুপী, জোতা, জেকেট, ৰুকছেক, খাকি, কাপোৰ আদিসহ ফিল্ড কিট |

**৫.২.২ঃ বজাৰ শক্তিৰ পাৰস্পৰিক প্ৰতিক্ৰিয়া, সেইবোৰৰ অৰ্থনীতি আৰু স্থানীয় ৰাইজৰ পেট প্ৰৱৰ্তন অৰ্থনীতিৰ ওপৰত সেইবোৰৰ প্ৰভাৱঃ**

গাঁওবাসীৰ অৰ্থনৈতিক অৱস্থা শোচনীয় আৰু তাত বজাৰ শক্তিৰ কোনো পাৰস্পৰিক প্ৰতিক্ৰিয়া নাই। ৰাইজে বিক্ৰী কৰিব পৰা বড়োধানেই হৈছে একমাত্ৰ উৎপাদন। ঘাইকৈ যন্ত্ৰচালিত নাৱেৰে ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ দৰং জিলাত ধান লৈ গৈ বিক্ৰী কৰা হয়। একমাত্ৰ ধানৰ বাহিৰে বৃহৎ পৰিমাণে আন কোনো প্ৰধান উৎপাদিত শস্য বিক্ৰী কৰা নহয়। পথসমূহৰ অৱস্থা উন্নত হ'লেহে গাঁওবাসীৰ বজাৰ সংযোগৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পৰিব।

**৫.২.৩ঃ সংৰক্ষিত এলেকা আৰু প্ৰভাৱাধীন অঞ্চলৰ ব্যৱস্থাপনা ক্ষতিগ্ৰস্ত কৰা তথা ৰাইজে সন্মুখীন হোৱা সমস্যাসমূহৰ সাৰাংশ**

১) বছৰেকীয়া বান হৈছে পাৰ্শ্বৱৰ্তী গাঁওবিলাকৰ অন্যতম প্ৰধান সমস্যা। বছৰেকীয়া/নিয়মীয়া বানপানীৰ কাৰণে পাৰ্শ্বৱৰ্তী গাঁওবাসীৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত হৈছে।

২) নিৰক্ষৰতা-নিবনুৱাৰ সংখ্যা বৃদ্ধিয়ে সংৰক্ষিত এলেকাত পৰোক্ষভাৱে হেঁচা সৃষ্টি কৰিছে।

৩) কাঠখৰি, খেৰৰ বাবে গাঁওবাসী সংৰক্ষিত এলেকাৰ ওপৰত নিৰ্ভৰশীল আৰু তেওঁলোক বেআইনীভাৱে মাছধৰা কাৰ্যতো লিপ্ত।

৪) অনুৎপাদনশীল বৃহৎসংখ্যক পশুধনে সংৰক্ষিত এলেকাৰ ওপৰত প্ৰচণ্ড হেঁচাৰ সৃষ্টি কৰিছে। গাঁওবাসীয়ে উচ্চ উৎপাদনশীল পশুধনৰ বাবে গোশালাৰ ব্যৱস্থা গ্ৰহণ কৰা নাই।

৫) ভিতৰুৱা এলেকাৰ পথসমূহকে ধৰি যোগাযোগ ব্যৱস্থা প্ৰচণ্ডভাৱে শোচনীয়। এইটো হৈছে অন্যতম প্ৰধান বাধা।

৬) সকলো গাঁও মৌলিক সা-সুবিধাৰ পৰা বঞ্চিত।

৭) বিকল্প ইন্ধনৰ উৎস বা ৰন্ধন সামগ্ৰীৰ ব্যৱহাৰ নহয়। বৰং গাঁওবাসীয়ে কাঠখৰিহে ব্যৱহাৰ কৰে আৰু সেইবোৰ সংৰক্ষিত এলেকাৰ পৰাই সংগ্ৰহ কৰে। গাঁৱত প্ৰচুৰ পৰিমাণে কাঠখৰি নাই।

## ৫.৩ঃ পৰিৰেশ উন্নয়ন

অভয়াৰণ্যখন আটাইবোৰ দিশৰ পৰা বসতি গাঁওসমূহৰ দ্বাৰা পৰিবেষ্ঠিত। সংৰক্ষিত এলেকাৰ পৰা ১ কিলোমিটাৰ পৰিধিৰ ভিতৰত কমেও ২৭খন গাঁও আছে। এই এলেকাসমূহক মধ্যৱৰ্তী অঞ্চল (Buffer Zone) হিচাপে গণ্য কৰা হৈছে। গাঁৱৰ বাসিন্দাসকলৰ অধিকাংশই অত্যন্ত দাৰিদ্র্য, নিৰক্ষৰ। তেওঁলোকে তেওঁলোকৰ পাৰিবাৰিক প্ৰয়োজনবোৰ পূৰণ কৰাৰ বাবে অভয়াৰণ্যৰ ওপৰতে নিৰ্ভৰ কৰে। অভয়াৰণ্যৰ পূব আৰু উত্তৰ দিশৰ গাঁওবোৰৰ জনবসতি ঘন।

চাৰিওফালৰ গাঁওবাসীৰ অংশগ্ৰহণ আৰু সামগ্ৰিকভাৱে আঁচনিসমূহৰ সফল ৰূপায়ণৰ ওপৰতে অভয়াৰণ্যৰ সুৰক্ষা আৰু সংৰক্ষণ নিৰ্ভৰ কৰিছে। সেয়ে পৰিৰেশ-উন্নয়ন আঁচনিসমূহৰ পৰিকল্পনা আৰু ৰূপায়ণ যথোচিত যত্নেৰে কৰিব লাগিব।

গাঁওবাসীৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি আৰু সু-সম্পৰ্ক ৰক্ষা কৰিবলৈ ভালেমান আঁচনি এতিয়ালৈকে সফলভাৱে গ্ৰহণ কৰা হৈছে। ৰাইজৰ চাহিদাৰ মূল্যায়নৰ ভিত্তিত পৰিৰেশ-উন্নয়ন আঁচনিসমূহ তৈয়াৰ কৰিব লাগিব।

এই অভয়াৰণ্যত এটা বা দুটা বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাই (এন জি অ') পশুধনৰ টীকাকৰণ আৰু কৰ্মীসকলক বস্তুগত সাহায্য দি অহাৰ উপৰি সময়ে সময়ে অন্যান্য সাহায্যও আগবঢ়াই আহিছে।

### ৫.৩.১ঃ লক্ষ্য ঃ

পৰিৰেশ-উন্নয়ন কৰ্মসূচীৰ প্ৰধান লক্ষ্য নিম্নোক্ত লক্ষ্যৰ সৈতে যুক্ত হ'ব লাগিব ঃ

১) অভয়াৰণ্যৰ ওপৰত নিৰ্ভৰশীলতা আৰু হেঁচা হ্ৰাস কৰিব লাগিব।

২) মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত হ্ৰাস কৰিব লাগিব।

৩) স্থানীয় ৰাইজৰ বাবে জীৱিকাৰ বিকল্প উপায় সৃষ্টি কৰিব লাগিব।

৪) স্থানীয় সম্পদৰ স্থিতিশীল ব্যৱহাৰৰ বাবে সজাগতা গঢ়ি তুলিব লাগিব।

৫) জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বাবে জনতাৰ অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব।

### ৫.৩.২ঃ নিৰ্দিষ্ট বিষয়সমূহ ঃ

১) শোচনীয় অৰ্থনৈতিক অৱস্থা

২) অধিকসংখ্যক ভূমিহীন লোক

৩) অধিক হাৰত বন্যাপ্ৰৱণ অঞ্চল

৪) বিকল্প উৎসৰ অভাৱ

৫) উচ্চ হাৰত জনসংখ্যা বৃদ্ধি

৬) উচ্চ হাৰত নিৰক্ষৰতা

৭) বনজ উৎপাদনৰ সহজলভ্যতা

৮) দুবাৰকৈ শস্য-খেতিৰ আন্তঃগাঁথনিৰ অভাৱ

৯) শোচনীয় পথ যোগাযোগ ব্যৱস্থা

১০) অধিক সংখ্যাত অনুৎপাদনশীল পশুধন পালন

১১) চৰণীয়া পথাৰৰ অভাৱ

### ৫.৩.৩ঃ বহন ৰণকৌশলসমূহ ঃ

বহনভিত্তিক বিষয়সমূহ সম্পৰ্কীয় চাহিদা ভিত্তিক পৰিৰেশ-উন্নয়ন কৰ্মসূচীৰ প্ৰস্তাৱ তলত উল্লেখ কৰা হ'ল —

ক) আৰ্থ-সামাজিক সমীক্ষা ঃ ১৯৯৪ চনত বন বিভাগে এ কে বৰুৱাৰ জৰিয়তে সীমামূৰীয়া গাঁওসমূহৰ ভিতৰ আৰু বাহিৰে আৰ্থ-সামাজিক সমীক্ষা চলায় আৰু এখন প্ৰতিবেদন যুগুতায়। পৰিৰেশ-উন্নয়নৰ নিৰ্দিষ্ট কৰ্মসূচী গ্ৰহণৰ বাবে চতুৰ্দিশৰ গাঁওবোৰত আৰ্থ-সামাজিক অৱস্থাৰ পুনৰ সমীক্ষা চলোৱা আৰু সেইমতে পৰিৱৰ্তন কৰাটো

আৰশ্যক। এই কাম পৰ্যায়ক্ৰমে আৰম্ভ কৰিব লাগিব। প্ৰথম বছৰতে সমীক্ষা সমাপ্ত কৰিব লাগিব। স্থানীয় গঠন বৃহৎ সহায় হ'ব।

খ) পশুধন ৰোগ সংক্ৰমণমুক্তকৰণ ঃ বন্যপ্ৰাণী সুৰক্ষা আইন অনুসৰি সীমাৰ পৰা ৫ কিলোমিটাৰ পৰিধিৰ ভিতৰত পশুধনক বাধ্যতামূলকভাৱে ৰোগ সংক্ৰমণমুক্ত কৰিব লাগিব আৰু বন্যপ্ৰাণী আৰু সীমামীৰীয়া গাঁওবোৰৰ স্বাৰ্থতে এই কাম অব্যাহত ৰাখিব লাগিব। টীকাকৰণে এটা ৰোগসংক্ৰমণমুক্ত বেল্ট (এলেকা) গঢ়ি তোলাৰ লগতে পশুধনৰ সু-স্বাস্থ্য ৰক্ষাৰ জৰিয়তে বন্যপ্ৰাণীকো সংক্ৰামক ৰোগৰ পৰা সুৰক্ষিত ৰাখিব।

গ) বন্যপ্ৰাণীৰ উপদ্ৰৱ দমন স্কোৱাড গঠন ঃ পবিতৰাত গঁড়ৰ বিক্ষিপ্ত আক্ৰমণৰ ঘটনা এক বিপদ হৈ পৰিছে। গতিকে অভয়াৰণ্য সংলগ্ন এলেকাত শস্য সুৰক্ষিত কৰাৰ বাবে স্থানীয় যুৱকসকলক লৈ বন্যপ্ৰাণীৰ উপদ্ৰৱ দমন স্কোৱাড গঠন কৰিব লাগিব। তেওঁলোকে তেওঁলোকৰ শস্য সুৰক্ষিত কৰা আৰু গঁড়ৰ বিক্ষিপ্ত আক্ৰমণ ৰোধৰ বাবে বন বিভাগৰ কৰ্মীসকলৰ সৈতে যুটীয়াভাৱে কাম কৰিব পাৰে। প্ৰতিখন গাঁৱত এনেকুৱা এটাকৈ স্কোৱাড গঠন কৰিব লাগিব।

এনেধৰণৰ ন্যূনতম ১৫টা স্কোৱাড গঠন কৰিব আৰু পৰ্যায়ক্ৰমে ইয়াৰ সংখ্যা বঢ়াব পৰা যাব। ন্যূনতম আৰশ্যকীয় বয়বস্তু, যেনে টৰ্চ, বেটাৰী, কেৰাচিন, ফটকা, টঙীঘৰ নিৰ্মাণৰ ব্যয় আদি বন বিভাগে বহন কৰিব। ইয়াৰ সময়সীমা হ'ব লাগিব অক্টোবৰ-মাৰ্চ। প্ৰথম গাঁওবোৰ হ'ব খোলাভূঞা, কচুৰনি, বেৰ্ডিয়া, শিলডুবি, ৰজামায়ং, ঠেংভঙা, নেকেৰাহাবি, কুকৰি, কুৰুৱানিবৰি, বুঢ়াবুঢ়ী, ডিপ্ৰাং, বৰদলনী, কমাৰপুৰ, হাতীমূৰীয়া আদি।

ঘ) সম্প্ৰদায়ৰ সা-সুবিধাৰ উন্নতকৰণ ঃ স্থানীয় ৰাইজৰ চাহিদাৰ ভিত্তিত ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ পিছত বিভিন্ন ধৰণৰ সহায়ক কৰ্মসূচী তৈয়াৰ আৰু ৰূপায়ণ কৰিব লাগিব।

যেনে —

১) ৰাজহুৱা সভাঘৰ নিৰ্মাণ, বিদ্যালয় গৃহৰ উন্নয়ন, প্ৰতিষ্ঠানসমূহলৈ ক্ৰীড়াৰ সা-সুবিধা প্ৰদান, গাঁৱৰ পথসমূহৰ উন্নয়ন আদি।

২) সীমামূৰীয়া গাঁওবোৰত ঘৰচীয়া পশুধনৰ মজুত উন্নত কৰিবলৈ গাঁওবাসীক অনুৎপাদনশীল পশুধনৰ বিনিময়ত উন্নত জাতৰ পশুধন প্ৰদান। প্ৰথম বছৰত প্ৰতিটো পৰিয়ালৰ ওচৰত থকা অনুৎপাদনশীল পশুধনৰ সংখ্যা সম্পৰ্কে সমীক্ষা চলাব লাগিব। পশুধনৰ গৰাকীক পাঁচটা অনুৎপাদনশীল পশুধনৰ বিনিময়ত এটা উন্নত জাতৰ পশুধন ল'বলৈ সৈমান কৰাব লাগিব। বিক্ৰী আৰু অনুৎপাদনশীল পশুধনৰ বিনিময়ৰ পিছত পশুধনৰ গৰাকীয়ে উন্নত জাতৰ পশুধনৰ বাবদ হোৱা ব্যয়ৰ এক তৃতীয়াংশ বহন কৰিব লাগিব। এই ব্যৱস্থাই সীমামূৰীয়া এলেকাত কেৱল যে অনুৎপাদনশীল পশুধনৰ সংখ্যা কমাব সেয়াই নহয়, সংৰক্ষিত এলেকাত পশুচাৰণৰ হেঁচা হ্ৰাসতো সহায় কৰিব আৰু ৰাইজৰ অৰ্থনৈতিক অৱস্থাকো উন্নত কৰিব। গাঁও পৰ্যায়ত ক্ষুদ্ৰ পৰিকল্পনা তৈয়াৰ কৰাৰ পিছতহে প্ৰকৃত ৰূপায়ণৰ কাম আৰম্ভ কৰিব লাগিব। এই ক্ষেত্ৰত সংশ্লিষ্ট বিভিন্ন বিভাগ যেনে— পশু চিকিৎসা বিভাগ, ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠান (এছ আই আৰ ডি), জিলা প্ৰশাসন আদিৰ পৰা সহায় বিচৰা হ'ব।

ঙ) সম্প্ৰদায়ৰ বাবে কল্যাণমূলক কাম-কাজ ঃ এই ধৰণৰ কাম-কাজৰ ভিতৰত প্ৰতিষ্ঠানবোৰলৈ খোৱাপানী যোগানৰ ব্যৱস্থা প্ৰদান, সীমামূৰীয়া গাঁওসমূহৰ মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ বৃত্তি প্ৰদান, কৃষক আৰু উদ্যানশস্য খেতিয়কলৈ উন্নত জাতৰ বীজ প্ৰদান, জলসিঞ্চনৰ বাবে লিফ্‌ট পাম্প যোগান, পাম্প, পাৱাৰটিলাৰ আদি যোগান।

চ) সীমামূৰীয়া গাঁৱৰ বাসিন্দাসকলৰ শক্তিৰ চাহিদা পূৰণ কৰিবলৈ আৰু কাঠখৰিৰ বাবে সংৰক্ষিত এলেকাৰ ওপৰত নিৰ্ভৰতা কমাবলৈ গোবৰ গেছ প্ৰকল্প স্থাপন।

ছ) গাঁৱত গৰুৰ গাড়ীৰ অভাৱ পৰিৱেশ-উন্নয়ন কৰ্মসূচীৰ অধীনত বন বিভাগে পূৰণ কৰিব পাৰিব। ধান বিক্ৰীৰ সময়ত গাঁওবাসীয়ে ইয়াৰ প্ৰয়োজন অধিক অনুভৱ কৰে।

জ) সজাগতা কৰ্মসূচী ঃ চাৰিওফালৰ গাঁওবাসীৰ মাজত সজাগতা গঢ়ি তুলিব লাগিব। গতিকে সেইমতে কৰ্মসূচীৰ আয়োজন কৰিব লাগিব। এইবোৰ কৰ্মসূচীৰ মাজত আছে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত চলচ্চিত্ৰ প্ৰদৰ্শন, সভা অনুষ্ঠিত কৰা, পোষ্টাৰ, প্ৰচাৰ-পত্ৰ বিতৰণ আৰু অন্যান্য কাম-কাজ।

ঝ) বন্যপ্ৰাণীয়ে শস্য বিনষ্ট কৰা বাবে ক্ষতিপূৰণ আঁচনি গ্ৰহণ কৰিব লাগিব আৰু ক্ষয়ক্ষতিৰ পৰিমাণ নিৰূপণৰ পিছত যথাসম্ভৱ শীঘ্ৰে ক্ষতিগ্ৰস্ত ব্যক্তিসকলক ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব।

### ৫.৩.৪ ঃ গাঁও পৰ্যায়ৰ স্থানভিত্তিক ৰণকৌশল ঃ

প্ৰতিখন গাঁৱত ক্ষুদ্ৰ পৰিকল্পনা তৈয়াৰ কৰাৰ পিছত প্ৰতিখন গাঁৱতে গাঁও পৰ্যায়ত নিৰ্দিষ্ট স্থানভিত্তিক বিষয়বোৰৰ নিষ্পত্তি কৰিব আৰু এই কাম প্ৰথম বছৰতে আৰ্থ-সামাজিক সমীক্ষা সম্পূৰ্ণ কৰাৰ পিছতেই কৰিব লাগিব।

### ৫.৩.৫ ঃ পৰ্যবেক্ষণ আৰু মূল্যায়ন ঃ

সমগ্ৰ পৰিৱেশ-উন্নয়ন কামকাজৰ বাবে পৰ্যবেক্ষণ আৰু মূল্যায়ন প্ৰট'কল তৈয়াৰ কৰিব লাগিব। ইয়াক পৰিৱেশ-উন্নয়নৰ সকলো কাম-কাজলৈ সম্প্ৰসাৰিত কৰিব লাগিব। পৰিৱেশ-উন্নয়ন কাৰ্যৰ ৰূপায়ণ পৰ্যবেক্ষণৰ বাবে বন বিভাগৰ কৰ্মচাৰী আৰু স্থানীয় পঞ্চায়তৰ সদস্যসকলক লৈ এক কমিটী গঠন কৰিব লাগিব।

ৰাইজৰ অৰ্থনৈতিক অৱস্থাৰ ৰূপান্তৰত পৰিৱেশ-উন্নয়ন কৰ্মসূচীৰ প্ৰভাৱ মূল্যায়ন বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা অথবা নামী প্ৰতিষ্ঠানৰ দ্বাৰা কৰাব লাগিব। মূল্যায়নৰ পিছত আৱশ্যকীয় ক্ষেত্ৰবিলাকত আৱশ্যকীয় সংশোধনমূলক ব্যৱস্থাবোৰ গ্ৰহণ কৰিব লাগিব।

# খোলাভূঞা পৰিৱেশ-উন্নয়ন সমিতি

## পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য

## গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডল

ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

দ্বিতীয়- খণ্ড

## ৬। ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা (SWOT) আৰু ব্যৱধান বিশ্লেষণ

### ৬.১ ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য

এখন গাঁও পৰ্যায়ৰ ক্ষুদ্ৰ পৰিকল্পনা উদ্দেশ্য হৈছে গাঁও উন্নয়ন পৰিকল্পনা আৰু বনাঞ্চল উন্নয়ন পৰিকল্পনা, যিটো হৈছে প্ৰয়োজন ভিত্তিক, স্থান ভিত্তিক আৰু উপলব্ধ সম্পদৰ সৈতে সামঞ্জস্যপূৰ্ণ। যিহেতু পৰিকল্পনাৰ গোটটো ক্ষুদ্ৰ, সেয়ে ইয়াক ক্ষুদ্ৰ পৰিকল্পনা বুলি কোৱা হয়। ক্ষুদ্ৰ পৰিকল্পনাই দুটা উদ্দেশ্য পূৰণ কৰাৰ চেষ্টা কৰেঃ

১) জীৱিকা উন্নত কৰা

২) জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য ৰক্ষা কৰা

ভাৰতত ক্ষুদ্ৰ পৰিকল্পনা ভাৰত চৰকাৰে আৰম্ভ কৰা যুটীয়া বন পৰিচালনা ব্যৱস্থাৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত ক্ষুদ্ৰ পৰিকল্পনা হৈছে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে প্ৰস্তুত কৰা এখন সাধাৰণ নথি। এনে ক্ষুদ্ৰ পৰিকল্পনাৰ একক হৈছে জনসমষ্টি (গাঁও)। স্থানীয় বনজ সম্পদৰ সৈতে স্থানীয় চাহিদা বা প্ৰয়োজনসমূহ আৰু বন বিভাগৰ কৰ্মসূচীৰ উদ্দেশ্যসমূহৰ সংযোগ সাধনেই হৈছে এই নথিৰ লক্ষ্য। জে এফ এম নীতি-নিৰ্দেশিকা, ২০০০ অনুসৰি গাঁৱত বিতং পি আৰ এ অনুশীলনৰ পিছত বন বিষয়াসকল আৰু ই ডি চি-য়ে ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। ই ডি চিৰ ক্ষুদ্ৰ পৰিকল্পনাসমূহক বন বিভাগৰ কৰ্ম পৰিকল্পনাৰ লগত চামিল কৰিব লাগিব।

বৰ্তমানৰ ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়ৰ সকলো সদস্যই লগ হৈ প্ৰস্তুত কৰিছে। এই নথি হৈছে ২০১৭ চনৰ মাৰ্চ মাহত সম্প্ৰদায়ৰ সদস্যসকল, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি-ৰ (আৰ জি ভি এন) কৰ্মীসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ (পি আৰ এ) ফল। ইয়াৰ পিছত গৃহীত বিভিন্ন পদক্ষেপ সংক্ষিপ্তভাৱে তলত উল্লেখ কৰা হ'ল—

ক) প্ৰকল্পৰ উদ্দেশ্য সম্পৰ্কে আলোচনা আৰু সম্প্ৰদায় আৰু ইয়াৰ পৰিপ্ৰেক্ষিত সম্পৰ্কীয় তথ্য সংগ্ৰহৰ ক্ষেত্ৰত তেওঁলোকৰ সহযোগিতা লাভৰ বাবে ২০১৭ চনৰ মাৰ্চ মাহত সম্প্ৰদায়ৰ বৈঠক অনুষ্ঠিত কৰা হয়।

খ) উপলব্ধ আৰ্হি অনুসৰি সম্প্ৰদায়ৰ মূল তথ্য আৰু পৰিপ্ৰেক্ষিত সম্পৰ্কে তথ্য সংগ্ৰহ;

গ) ইয়াৰ পিছত সম্প্ৰদায়ৰ সৈতে বৈঠকত সংগৃহীত তথ্যৰ শুদ্ধতা পৰীক্ষা কৰা।

ঘ) সম্প্ৰদায়ৰ অংশগ্ৰহণ আৰু তেওঁলোকৰ মতামতৰ ভিত্তিত কৰ্ম পৰিকল্পনাৰ ৰূপৰেখা প্ৰস্তুত কৰা।

ঙ) প্ৰকল্পৰ নীতি-নিৰ্দেশিকাৰ ভিত্তিত আৰ জি ভি এনে ক্ষুদ্ৰ পৰিকল্পনা যুগুতাইছে। এই নথি ২০১৭ চনৰ এপ্ৰিল মাহত গৃহীত কৰাৰ উদ্দেশ্যে আলোচনা আৰু চূড়ান্ত কৰা হৈছে।

### ৬.২ চাহিদা মূল্যয়ন আৰু ব্যৱধান বিশ্লেষণ

সম্পদৰ মূল্যায়ন, সামৰ্থ্য মূল্যায়ন, জীৱিকা সম্পদৰ মানচিত্ৰায়ন (মেপিং) আৰু গোট (গ্ৰুপ) আলোচনাত গুৰুত্ব প্ৰদানৰ জৰিয়তে দুৰ্বলতাসমূহ পৰ্যালোচনা, পি আৰ এ অনুশীলনৰ জৰিয়তে গাঁও পৰ্যায়ৰ আৰু পৰিয়াল পৰ্যায়ৰ সমীক্ষা, চাহিদা মূল্যায়ন, ব্যৱধান বিশ্লেষণ আৰু সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা (এছ ডব্লিউ অ' টি) বিশ্লেষণ কৰা হয়। এই বিশ্লেষণৰ ভিত্তিত কৰ্মপৰিকল্পনা, জীৱিকা, গ্ৰামোন্নয়ন কৌশল আৰু বন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হয়।

**প্ৰশিক্ষণ প্ৰয়োজনীয়তাৰ পৰ্যালোচনা**

**ক) সামৰ্থ্য গঠন ঃ** বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য, স্থিতিশীল উন্নয়ন, জলবায়ু পৰিৱৰ্তন, লিংগ সংক্ৰান্ত বিষয়, বিত্তীয় অন্তৰ্ভুক্তি, পানী আৰু অনাময়ৰ গুৰুত্ব (WATSAN), মাটি আৰু পানী সংৰক্ষণ, বান ব্যৱস্থাপনা আদিৰ বিষয়ে নিয়মিত সজাগতা কৰ্মসূচীৰ জৰিয়তে সম্প্ৰদায়ৰ সামৰ্থ্য গঢ়ি তোলা হয়।

**খ) দক্ষতা উন্নয়ন ঃ** জীৱিকাৰ উন্নয়নৰ বাবে কৰ্ম পৰিকল্পনাত উল্লেখ কৰা প্ৰস্তাৱত জীৱিকাৰ দক্ষতাৰ নিয়মীয়াকৈ পৰ্যালোচনা কৰা, সা-সঁজুলি আৰু যন্ত্ৰপাতিৰ ব্যৱহাৰ আৰু প্ৰক্ৰিয়া আৰু পদ্ধতি সম্পৰ্কে বিশেষ প্ৰশিক্ষণৰ পৰামৰ্শ দিয়া হৈছে।

**ব্যৱধান বিশ্লেষণ ঃ**

* ব্যাপক বানপানীৰ ফলত এলেকাত পানী আৱদ্ধ হৈ পৰে আৰু শস্য আৰু সা-সম্পত্তিৰ ক্ষতি হয়।
* নিয়োগৰ সুবিধা নথকাৰ কাৰণে অক্টোবৰৰ পৰা মাৰ্চলৈকে মানুহে ইটাভাতাত কাম কৰিবলৈ যাবলগীয়া হয়।
* উপযুক্ত শিক্ষাগত সুযোগ-সুবিধা নথকা আৰু শোচনীয় অৰ্থনৈতিক অৱস্থাৰ কাৰণে শিক্ষা সমাপ্ত নকৰাকৈ স্কুল এৰাৰ হাৰ বাঢ়িছে।
* উপযুক্ত সজাগতাৰ অভাৱ আৰু অৰ্থনৈতিক অনিশ্চয়তাৰ কাৰণে সমাজত বাল্য বিবাহ আৰু শিশু শ্ৰমৰ দৰে সামাজিক কুপ্ৰথাবোৰ বিৰাজ কৰিছে।

## ৬.৩ সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা (SWOT) বিশ্লেষণ

সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলাসহ সকলো সদস্যক চামিল কৰি অংশগ্ৰহণমূলক পদ্ধতিত এছ ডব্লিউ অ' টি বিশ্লেষণ কৰা হৈছে।

**সবলতা**

১) গাঁওখনৰ বাসিন্দাসকল একক সম্প্ৰদায়ভুক্ত হোৱা কাৰণে সামাজিক সংঘাতৰ ঘটনা হ্ৰাস পাইছে।

২) কৃষি, বাঁহ আৰু বেতৰ শিল্প আদি পৰম্পৰাগত দক্ষতাই হৈছে জীৱিকাৰ উৎস।

৩) বিভিন্ন প্ৰকাৰৰ উদ্ভিদ আৰু জীৱ-জন্তুসহ প্ৰাকৃতিক সম্পদত চহকী।

৪) কৰ্মক্ষম বয়সী লোকৰ উচ্চ হাৰে অৰ্থনৈতিক অৱস্থা উন্নততৰ কৰিব আৰু সুযোগৰ সৃষ্টি কৰিব।

**দুৰ্বলতা**

১) অপৰ্যাপ্ত শিক্ষা ব্যৱস্থা আৰু শোচনীয় অৰ্থনৈতিক অৱস্থাই শিক্ষাৰ প্ৰতি নিৰুৎসাহৰ সৃষ্টি কৰিছে।

২) জীৱিকাৰ অসংগঠিত ক্ষেত্ৰৰ পৰা হোৱা অনিয়মিত উপাৰ্জনৰ ফলত জীৱন ধাৰণৰ মান নিম্ন।

৩) পৰম্পৰাগত দক্ষতাৰ ক্ষেত্ৰত শ্ৰমিকসকলৰ সম্ভাৱনীয়তাৰ ব্যৱহাৰ হোৱা নাই।

৪) বান আৰু পানী আবদ্ধ হৈ থকাৰ দৰে দুৰ্যোগৰ ক্ষেত্ৰত উপযুক্ত দুৰ্যোগ ব্যৱস্থাপনাৰ অভাৱ।

**সুযোগ**

১) এলেকাত হাঁহ-কুকুৰা পালন উদ্যোগ বৃদ্ধিৰ সুযোগ।

২) জীৱিকাৰ সুযোগ হিচাপে দুগ্ধ প্ৰকল্প ভিত্তিক উদ্যোগৰ ওপৰত গুৰুত্ব দিব পাৰি।

৩) উপযুক্ত প্ৰশিক্ষণ ব্যৱস্থাৰ জৰিয়তে চিলাই কামৰ উদগনি দিব পাৰি।

**শংকা**

১) ব্যাপক বানপানীৰ ফলত সা-সম্পত্তি আৰু শস্য বিনষ্ট হয়।

২) গাঁৱত পানী আবদ্ধ হৈ থকাৰ ফলত মানুহৰ দৈনন্দিন জীৱন বিপৰ্যস্ত হয়।

৩) বানপানী আৰু পানী আবদ্ধ হৈ পৰাৰ পিছত ৰোগৰ বিস্তাৰ

৪) মাৰ্চ মাহৰ পৰা এপ্ৰিললৈকে শস্য পথাৰত জলসিঞ্চনৰ কাৰণে পানীৰ নাটনিয়ে দেখা দিয়ে।

## ৬.৪ অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (PRA) অনুশীলন

গুৱাহাটীৰ আৰ জি ভি এনৰ দলে খোলাভূঞা গাঁৱত পি আৰ এ অনুশীলন কৰে। তাৰ বিৱৰণ এনেধৰণৰ ঃ

**তাৰিখ ঃ** ০৮-০৩-২০১৭

**স্থান ঃ** খোলাভূঞা

**উপস্থিতিৰ সংখ্যা ঃ** ৪২

**উপস্থিতি ঃ** ই ডি চিৰ বিষয়াবৰ্গ, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মী-বিষয়া আদি। পৰিশিষ্ট **VI** ৰ পৰা **VII** লৈ পি আৰ এ আৰু এফ জি ডিৰ সময়ত উপস্থিত লোকৰ তালিকা উল্লেখ কৰা হৈছে। পৰিশিষ্ট **VIII** (ক)ৰ পৰা **VIII** (ঘ) লৈ পি আৰ এ মানচিত্ৰ দিয়া হৈছে।

অংশগ্ৰহণমূলক মেপিং আৰু মতামত আদান প্ৰদানৰ পূৰ্বে গাঁও পৰ্যায়ত সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচীত সামৰি লোৱা বিষয়সমূহ তলত উল্লেখ কৰা হ'ল ঃ

ক) অংশগ্ৰহণমূলক পৰিকল্পনা

খ) অংশগ্ৰহণমূলক আহিলা আৰু পদ্ধতি

গ) ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব আৰু ই ডি চি/ জে এফ এম চিৰ ভূমিকা

ঘ) পৰিৱেশ সম্পৰ্কীয় বিষয়

ঙ) জলবায়ু পৰিৱৰ্তন আৰু জলবায়ু ভিন্নতা

চ) পৰিৱেশতান্ত্ৰিক ভাৰসাম্যতা আৰু পৰিৱেশ তন্ত্ৰৰ ব্যৱস্থাপনা (পৰম্পৰাগত আৰু বিজ্ঞানসন্মত)

ছ) স্থিতিশীল জীৱিকা গাঁথনি ফ্ৰেমৱৰ্ক

জ) জীৱিকা সম্পদ-পঞ্চভূজ আৰু সামাজিক মূলধনৰ গুৰুত্ব

ঝ) ক্লাষ্টাৰ গঠন আৰু আত্মসহায়ক গোট, বিত্তীয় অন্তৰ্ভুক্তিকৰণ

ঞ) বিপণন আৰু মূল্য সংযোজন

ট) উন্নয়ন কাৰ্যসূচী আৰু পৰিৱেশ আৰু পৰিৱেশতান্ত্ৰিক ভাৰসাম্যতাৰ সৈতে ইয়াৰ সম্পৰ্ক

ঠ) লিংগ সম্পৰ্কীয় বিষয় আৰু লিংগ সমতা।

**পৰ্যবেক্ষণ ঃ** আলোচনা আৰু পি আৰ এ অনুশীলনত সম্প্ৰদায়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। আলোচনাত নিম্নোক্ত বিষয়বোৰ উত্থাপিত হয় ঃ

* পি আৰ এ অনুশীলনৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকল আৰু আৰ জি ভি এন দলৰ চিন্তা আৰু ধাৰণাসমূহৰ আদান-প্ৰদান কৰা হয়। এই আদান-প্ৰদানে তেওঁলোকে সন্মুখীন হোৱা সমস্যাবোৰ আৰু প্ৰকল্পৰ উদ্দেশ্যৰ বিষয়ে পাৰস্পৰিক বুজাবুজি গঢ়ি উঠে।

* ৰাইজে কয় যে ধন আৰু প্ৰকল্পৰ অভাৱত পূৰ্বে ই ডি চি অধিক সক্ৰিয় নাছিল।

* অতীতত ই ডি চিত সজাগতা আৰু দিকদৰ্শন কৰ্মসূচী অত্যন্ত কম আছিল।

* পৰিৱেশ স্পৰ্শকাতৰ অঞ্চল সম্পৰ্কে এক সাধাৰণ ভুল ধাৰণা প্ৰচলিত আছে ইয়াৰ ফলত সম্প্ৰদায়ৰ সৈতে ভাব আদান-প্ৰদানৰ প্ৰাথমিক পৰ্যায়ত আস্থাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছিল।

* তেওঁলোকে ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব উপলব্ধি কৰিছে আৰু ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়াত তেওঁলোকে যথেষ্ট সমৰ্থন আৰু সহযোগিতা আগবঢ়াইছে।

* কেইবাটাও এন জি অ'ই ই ডি চি পৰিদৰ্শন কৰি কেৱল তথ্য-পাতি সংগ্ৰহ কৰিছে, কিন্তু কোনো উন্নয়নমূলক কামকাজত অংশগ্ৰহণ কৰা নাই।

* প্ৰথমবাৰৰ বাবে এ পি বি এফ চিৰ অধীনত এন জি অ'বোৰে ৰাইজৰ সৈতে মত বিনিময় কৰে আৰু সজাগতা সৃষ্টিত দিক্‌দৰ্শনৰ কাম কৰে। এই সজাগতা আৰু দিক্‌দৰ্শন কেৱল প্ৰকল্পটো সন্দৰ্ভতে নহয়, বিকাশ আৰু উন্নয়নত পৰিৱেশগত আৰু পৰিৱেশতান্ত্ৰিক বিষয়বোৰক সামৰি উন্নয়নমূলক ইচ্ছু সন্দৰ্ভতো কৰা হয়।

* পৰিৱেশ, বন আৰু কীটনাশক, পশুধন ব্যৱস্থাপনা আদিকে ধৰি জীৱিকাৰ অন্যান্য বিষয়ত সম্প্ৰদায়ৰ ভাল পৰম্পৰাগত জ্ঞান আছে।
* তেওঁলোকে জলবায়ু পৰিৱৰ্তনৰ ফলত গাঁওখনত কৃষি আৰু স্বাস্থ্যৰ ওপৰত পৰা বিৰূপ প্ৰভাৱ সম্পৰ্কে আশংকা প্ৰকাশ কৰে। জলবায়ু পৰিৱৰ্তনৰ বিষয়টো সন্দৰ্ভত বৈজ্ঞানিক তথ্যসমূহ জানিবলৈও তেওঁলোক অত্যন্ত আগ্ৰহী।
* জলবায়ু পৰিৱৰ্তনৰ কাৰণসমূহ হ্ৰাস কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ নিজৰ নিজৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়টো ৰাইজে উপলব্ধি কৰাটো দৃষ্টিগোচৰ হৈছে। নিকটৱৰ্তী বনাঞ্চল সুৰক্ষাৰ ক্ষেত্ৰত নিজৰ ভূমিকা আৰু স্বতঃপ্ৰণোদিতভাৱে কামত আগবাঢ়ি অহা আৰু এই বনাঞ্চল যে নিজৰেই এই উপলব্ধিও ৰাইজৰ মাজত পৰিলক্ষিত হৈছে।
* সামগ্ৰিক উন্নয়নত জড়িত নথকা কাৰণে চৰকাৰী সংস্থাবিলাকৰ ওপৰত ৰাইজৰ আস্থা হ্ৰাস পাইছে।

**সম্প্ৰদায়ৰ চাহিদা মূল্যায়ন ঃ** পি আৰ এ অনুশীলত গুৰুত্ব, গাঁৱৰ ৰাইজ, ই ডি চিৰ সদস্য, বনকৰ্মী আৰু সংশ্লিষ্টসকলৰ সৈতে আলোচনাৰ ভিত্তিত ই ডি চিৰ বাবে গাঁও উন্নয়ন পৰিকল্পনা আৰু জীৱিকা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। মানুহৰ চাহিদা দুভাগত ভগাব পাৰি—

১) গাঁথনিগত চাহিদা

২) গাঁথনি বহিৰ্ভূত চাহিদা

এই চাহিদাবোৰক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী হিচাপে ভগাব পাৰি। ৰাইজৰ চাহিদাৰ সবিশেষ গাঁও উন্নয়ন পৰিকল্পনাত দিয়া হৈছে।

ৰাইজৰ গাঁথনিগত প্ৰয়োজনৰ লগত জীৱিকাৰ উৎকৰ্ষসাধনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সম্পৰ্ক আছে। এইবোৰৰ ভিতৰত আছে পথ, বিদ্যালয়গৃহ, স্বাস্থ্যসেৱা, খোৱাপানী যোগান, পানীৰ টেংক, কুঁৱা আদি। লগতে শৌচাগাৰ নিৰ্মাণ, ৰাজহুৱা সভাগৃহ নিৰ্মাণ, প্ৰশিক্ষণ গৃহ নিৰ্মাণ, বজাৰ গৃহ নিৰ্মাণ আদি বিষয়ো জড়িত আছে।

গাঁথনি বহিৰ্ভূত চাহিদাসমূহ হৈছে— দক্ষতা প্ৰশিক্ষণ, পশু চিকিৎসা সেৱা, স্বাস্থ্য সেৱা, ভ্ৰাম্যমাণ চিকিৎসকৰ দল, গাঁৱৰ বিদ্যালয়ত শিক্ষকৰ আৱশ্যকতা, বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ বাবে প্ৰশিক্ষণৰ জৰিয়তে সজাগতা সৃষ্টি, আত্মসহায়ক আৰু ক্লাষ্টাৰ গোট গঠন, কেঁচামালৰ ব্যৱস্থা, গাঁৱৰ ৰক্ষণাবেক্ষণ আৰু উন্নয়নৰ নিধি/ই ডি চিৰ বাবে সমূহীয়া নিধি, পৰম্পৰাগত উৎপাদিত সামগ্ৰীত মূল্য সংযোজন আৰু বিপণন সংযোগ আদি। যুটীয়া বন পৰিচালনাৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ অংশগ্ৰহণমূলক প্ৰকল্পৰ স্থানসমূহ, হস্তশিল্প গাঁও আদিত শিক্ষামূলক ভ্ৰমণৰ লগতে বিভিন্ন মেলা আৰু বাণিজ্য মেলাত অংশগ্ৰহণ কৰাটোও প্ৰয়োজন।

## ৭। গাঁও উন্নয়ন পৰিকল্পনা

হ্ৰস্বকালীন-দীৰ্ঘকালীন তথা গাঁথনিগত আৰু গাঁথনি বহিৰ্ভূত চাহিদাসমূহৰ ওপৰত ভিত্তি কৰি গাঁওবাসী, ই ডি চিৰ সদস্য, বন বিভাগৰ কৰ্মী/ই ডি চিৰ সদস্য সচিবৰ সৈতে আলোচনাৰ ভিত্তিত গাঁৱৰ উন্নয়নৰ বাবে গাঁও উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। সামগ্ৰিক উন্নয়নৰ বাবে সম্প্ৰদায়ৰ সদস্যসকলে কৰা পৰিকল্পনা তলত উল্লেখ কৰা হ'ল—

ক) জলসিঞ্চন ব্যৱস্থাৰ ফলত এলেকাত মাৰ্চ মাহৰ পৰা এপ্ৰিললৈকে পানীৰ নাটনি। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহায়ত সকলো পৰিয়ালৰ বাবে পানী যোগানৰ উপযুক্ত ব্যৱস্থাৰ জৰিয়তে এই সমস্যাটোৰ সমাধান কৰা দৰকাৰ।

খ) নিয়োগ সৃষ্টিৰ সুযোগ নথকাৰ ফলত ৰাইজে অক্টোবৰৰ পৰা মাৰ্চ মাহ পৰ্যন্ত সোণাপুৰ, কোলাগপুৰ আদিত ইটাভাতাত কাম কৰিবলৈ যায়। ইয়াৰ ফলত শিশুবিলাকৰ শিক্ষাত ব্যাঘাত ঘটে আৰু তেওঁলোক যেনেকুৱা অৱস্থাৰ মাজত বসবাস কৰে সেয়াও উপযুক্ত নহয়। এই সমস্যাৰ সমাধান কৰিবলৈ সমূহীয়া নাৰ্চাৰী গঢ়ি তোলাৰ জৰিয়তে উপাৰ্জন বৃদ্ধিৰ বাবে উদগনি দিব লাগিব।

গ) সম্প্ৰদায়ৰ মাজত ঐক্য আৰু সম্প্ৰীতি দৃঢ় কৰাত সহায়ৰ লক্ষ্যৰে সামাজিক কৰ্মসূচীসমূহৰ বাবে সাংস্কৃতিক ক্ষেত্ৰত আৰু গুৰুত্বপূৰ্ণ আলোচনাৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ গাঁৱত এটা ৰাজহুৱা সভাঘৰ নিৰ্মাণ কৰা দৰকাৰ।

ঘ) বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিবলৈ বাচন, জেনেৰেটৰ, আচবাব আদি পৰ্যাপ্ত সা-সামগ্ৰীসহ ই ডি চিৰ বাবে টেণ্ট

হাউছ এক সম্পদ হ'ব। এইবোৰ সামগ্ৰী সম্প্ৰদায়ৰ সদস্যসকলক কম মূল্যত ভাৰাত দিব পাৰি আৰু ইয়াৰ জৰিয়তে ই ডি চিৰ বাবে এক অতিৰিক্ত নিধিৰ ব্যৱস্থা কৰিব পাৰি।

ঙ) শিক্ষা প্ৰতিষ্ঠানসমূহত অপৰ্যাপ্ত অনাময় ব্যৱস্থা এক ডাঙৰ সমস্যা। সেয়ে ছোৱালীসকলৰ বাবে এটা গাধোৱা ঘৰৰ ব্যৱস্থা কৰিব লাগিব। এনে ব্যৱস্থা বৰ্তমান অৱস্থাক উন্নত কৰাৰ সহায়ক হ'ব।

চ) গাঁওখনত ক্ষুদ্ৰ চুপাৰি উদ্যোগ হৈছে দৈনিক মজুৰিভিত্তিক শ্ৰমিকসকলৰ বাবে আয়ৰ এক উৎস। চুপাৰিৰ বাকলিবোৰ সাৰ আৰু কাঠখৰি হিচাপে ব্যৱহাৰ কৰিব পাৰি। কিন্তু বজাৰৰ সৈতে সংযোগৰ ক্ষেত্ৰত মধ্যভোগীৰ উপস্থিতিৰ কাৰণে শ্ৰমিক আৰু মালিক উভয়ৰে মুনাফাৰ হাৰ হ্ৰাস হৈছে। এই প্ৰক্ৰিয়াটোত মধ্যভোগীৰ প্ৰভাৱ হ্ৰাস আৰু অধিক হাৰত মুনাফা অৰ্জনৰ বাবে উভয় দিশত সংগঠিত বজাৰ পদ্ধতি গঢ়ি তুলিব লাগিব।

### ৭.১ ই পি এ (প্ৰাৰম্ভিক কাৰ্য)ৰ স্থানাংক

সম্প্ৰদায়ে তাৎক্ষণিক ভিত্তিত কেতবোৰ প্ৰাৰম্ভিক কাম-কাজৰ প্ৰস্তাৱ দিছে, যিবোৰ অগ্ৰাধিকাৰ হিচাপে তলত উল্লেখ কৰা হ'ল—

## ৮। জীৱিকা উন্নয়ন পৰিকল্পনা

| স্থানাংক | স্থানাংক অনুসৰি গাঁৱৰ ই পি এ | জি পি এছ সমন্বয় | বিৱৰণ | বাজেট |
|---|---|---|---|---|
| ১ | ৰাজহুৱা সভাঘৰ | উত্তৰ ঃ ২৬°১৩'৫৪.৫"<br>পূব ঃ ৯২°০৫'৪৫.৫" | **মাটি ঃ** ১/২ কঠা<br>**স্থান ঃ** কুৰণিবৰি গাঁও পঞ্চায়ত কাৰ্যালয়ৰ ওচৰত<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। ৰাজহুৱা সভাঘৰ, প্ৰশিক্ষণ, ই ডি চি-ৰ কাৰ্যালয় আৰু উৎপাদন কেন্দ্ৰ, স্থানীয় উৎপাদিত সামগ্ৰীৰ শ্ব'ৰুম গৃহ নিৰ্মাণ<br>২। পানীৰ ব্যৱস্থাসহ শৌচাগাৰ<br>৩। কাৰ্যালয়ৰ আচবাব তথা ভঁৰাল ঘৰ | ১৪ লাখ |
| ২ | তম্বুঘৰ | উত্তৰ ঃ ২৬°১৩'৫৮.২"<br>পূব ঃ ৯২°০৫'৪৪.৮" | **মাটি ঃ** ১ কঠা<br>**স্থান ঃ** নুৰানি মাৰ্কাছ জামে মছজিদৰ ওচৰত<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। জেনেৰেটৰ ২টা<br>২। ছাউণ্ড ছেট<br>৩। ত্ৰিপল ৮টা<br>৪। পৰ্দা<br>৫। চকী ২০০খন<br>৬। ডাইনিং টেবুল ১০খন<br>৭। বাচন | ৬ লাখ |
| ৩ | স্কুলৰ সীমাৰ প্ৰাচীৰ | উত্তৰ ঃ ২৬°১৩'৫৮.২"<br>পূব ঃ ৯২°০৫'৪৪'৮" | **মাটি ঃ** ৪ কঠা<br>**স্থান ঃ** ২ নং খোলাভূঞা নিম্ন প্ৰাথমিক বিদ্যালয়<br>**আকাৰ ঃ** ১০০×৫০×৫ বৰ্গফুট | ২,৫০,০০০ |

| | | | | |
|---|---|---|---|---|
| ৪ | সৌৰ ষ্ট্ৰীট লাইট | | **স্থান ঃ** খোলাভূএগ্রা গাঁও (৪ কিলোমিটাৰ)<br>**পৰিমাণ ঃ** ১৮টা | ৪,৫০,০০০ |
| ৫ | গাঁৱৰ পথসমূহৰ নবীকৰণ | | **প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। জইনাল আবেদিনৰ ঘৰৰ পৰা পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যলৈকে ১২ কিঃ মিঃ<br>২। গড়কাপ্টানী পথৰ পৰা ফাৰমান আলীৰ ঘৰলৈকে ৩০০ মিটাৰ<br>৩। গড়কাপ্টানী পথৰ পৰা আব্দুল কাদিৰৰ ঘৰ হৈ জমিৰ উদ্দিনৰ ঘৰলৈকে<br>৪। গড়কাপ্টানী পথৰ পৰা পকৰীয়া নদী হৈ হুছেইন আলীৰ ঘৰলৈকে ৬০০ মিটাৰ<br>৫। গড়কাপ্টানী পথৰ পৰা ইদ্ৰিছ আলীৰ ঘৰ হৈ পকৰীয়া নদী পৰ্যন্ত ৬০০ মিটাৰ<br>৬। গড়কাপ্টানী পথৰ পৰা ফকিৰ উদ্দিনৰ ঘৰ হৈ ১ নং খোলাভূএগ্রা গাঁৱলৈকে | ২৬ লাখ |
| ৬ | জিৰণি চ'ৰা | উত্তৰ ঃ ২৬°১৩'৫৮.২"<br>পূব ঃ ৯২°০৫'৪৪.৮" | **আকাৰ ঃ** ১০×৮ বৰ্গ ফুট<br>**পৰিমাণ ঃ** ৩টা<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। খোলাভূএগ্রা নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ওচৰত<br>২। ফকৰউদ্দিনৰ গেলামাল দোকানৰ ওচৰত<br>৩। হজৰত আলীৰ ঘৰৰ ওচৰত | ৬ লাখ |
| ৭ | প্ৰতিটো পৰিয়ালৰ বাবে শৌচাগাৰ নিৰ্মাণ | | **পৰিমাণ ঃ** ১৩০ টা | ৩৯ লাখ |
| ৮ | প্ৰতিটো পৰিয়ালৰ বাবে এল পি জি সংযোগ | | **পৰিমাণ ঃ** ১৪০টা | ৫,৬০,০০০ |
| ৯ | নাৰ্চ্ছাৰী | উত্তৰ ঃ ২৬°১৩'৫৪.৫"<br>পূব ঃ ৯২°০৫'৪৫.৫" | **মাটি ঃ** ৩ কঠা<br>**স্থান ঃ** কুৰণিবৰি গাঁও পঞ্চায়ত কাৰ্যালয়<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। মাটি পেলোৱা<br>২। বিদ্যুৎ সংযোগ<br>৩। পুলি<br>৪। বেৰ<br>৫। অন্যান্য | ৭,৬০,০০০ |
| ১০ | কৃষি কামৰ বাবে জলসিঞ্চন ব্যৱস্থা | | **প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। যন্ত্ৰ আৰু পাম্পছেট ৫০টা | ১০ লাখ |

| | | | | |
|---|---|---|---|---|
| ১১ | ৰাজহুৱা সভাঘৰৰ নবীকৰণ | ১। উত্তৰ ঃ ২৬°১৩'৫৭.৭"<br>পূব ঃ ৯২°০৫'৫৩.৫"<br>২। উত্তৰ ঃ ২৬°১৩'৫৮.২"<br>পূব ঃ ৯২°০৫'৪৪.৮"<br>৩। উত্তৰ ঃ ২৬°১৪'১০.৩"<br>পূব ঃ ৯২°০৫'৩১.৬"<br>৪। উত্তৰ ঃ ২৬°১৩'৫০.৪"<br>পূব ঃ ৯২°০৫'২১.৪" | **আকাৰ ঃ** ৩০×১৫ বৰ্গ ফুট<br>**পৰিমাণ ঃ** ৪টা<br>**স্থান ঃ**<br>১। আব্দুল খলিলৰ ঘৰৰ ওচৰত ২ কঠা<br>২। নুৰানি মাৰ্কাছ জামে মছজিদৰ ওচৰত ১ কঠা<br>৩। পকৰীয়া নদীৰ পাৰ ২ কঠা<br>৪। উত্তৰ কুকুৰাৰী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ওচৰত ১ কঠা<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। ভৱন নিৰ্মাণ<br>২। মাটি পেলোৱা | ১০ লাখ |
| ১২ | হাঁহ-কুকুৰা পালন | উত্তৰ ঃ ২৬°১৪'১০.৩"<br>পূব ঃ ৯২°০৫'৩১.৬" | **পৰিমাণ ঃ** ৩ টা গোটৰ বাবে ৩টা পাম<br>**স্থান ঃ**<br>১। পকৰীয়া নদীৰ পাৰত ২ কঠা<br>২। উত্তৰ কুকুৰাৰী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ওচৰত ১ কঠা<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। আবাস তৈয়াৰ<br>২। হাঁহ-কুকুৰা পালন ব্যয় | ১৮ লাখ |
| ১৩ | কম্পিউটাৰ প্ৰশিক্ষণ | উত্তৰ ঃ ২৬°১৩'৫৪.৫"<br>পূব ঃ ৯২°০৫'৪৫.৫" | **মাটি ঃ** ১ কঠা<br>**স্থান ঃ** কুৰণিবৰি গাঁও পঞ্চায়ত কাৰ্যালয়<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। কম্পিউটাৰ ১০টা<br>২। বিদ্যুৎ মাচুল<br>৩। জেনেৰেটৰ ২টা<br>৪। আচবাব | ৩,৩০,০০০ |
| ১৪ | মিনাৰেল ৱাটাৰ কাৰখানা | উত্তৰ ঃ ২৬°১৪'১০.৩"<br>পূব ঃ ৯২°০৫'৩১.৬" | **মাটি ঃ** ১ কঠা<br>**স্থান ঃ** পকৰীয়া নদীৰ ওচৰত<br>**প্ৰস্তাৱিত কাম-কাজ ঃ**<br>১। ব'ৰিং মাচুল<br>২। নিৰ্মাণ<br>৩। মাটি পেলোৱা<br>৪। যন্ত্ৰপাতি | ১৬,৫০,০০০ |

অনুমোদিত

Divisional Forest Officer
Guwahati Wildlife Division
Guwahati-09

গাঁওখনৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা গ্ৰহণ কৰাৰ সময়ত ই ডি চি সদস্য আৰু আৰ জি ভি এনৰ সহযোগত বনাঞ্চলৰ সীমামূৰীয়া অন্তৰ্গত গাঁওসমূহত আৰ্থ-সামাজিক সমীক্ষা আৰু পি আৰ এ অনুশীলন কৰা হৈছে। পি আৰ এ আৰু দলীয় আলোচনাৰ জৰিয়তে বিভিন্ন আয় সৃষ্টি কাৰ্য (আই জি এ) চিনাক্ত কৰা হয়। সম্প্ৰদায়টোৱে চিনাক্ত কৰা কিছুমান গুৰুত্বপূৰ্ণ আয় সৃষ্টি কাৰ্য হৈছে— মৎস্য পালন, পাচলি খেতি, হাঁহ-কুকুৰা পালন, দুগ্ধ উৎপাদন, মৌপালন, কাঠফুলা খেতি, নাৰ্ছাৰী, টেইলৰিং, ক্ষুদ্ৰ শিল্প, মৰাপাট শিল্প, বাঁহশিল্প, মমবাতি প্ৰস্তুতকৰণ, ধূপকাঠি নিৰ্মাণ, আচাৰ প্ৰস্তুতকৰণ ইত্যাদি। উৎপাদনৰ পিছত পেকিং, বটলিং আৰু বৃত্তিমূলক লেবেলিঙৰ জৰিয়তে সামগ্ৰীসমূহৰ মূল্য সংযোজন কৰিব পৰা যায়। আই জি এৰ বাবে প্ৰয়োজনীয় কেঁচা সামগ্ৰী, যন্ত্ৰ-পাতি চিনাক্ত কৰা হৈছে। বন বজাৰৰ জৰিয়তে উৎপাদিত সামগ্ৰীসমূহৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ জৰিয়তে এক বিপণন মঞ্চ প্ৰদানৰ বাবে জে এফ এম চি-ই ডি চিয়ে প্ৰস্তাৱ গ্ৰহণ কৰিছে।

**৮.১ ঃ স্থানাংক**

জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক

* কৃষি
* ক্ষুদ্ৰ চুপাৰি উদ্যোগ
* হাঁহ-কুকুৰা পালন
* নাৰ্ছাৰী উন্নয়ন
* চিলাই কামৰ সুবিধা
* দুগ্ধ উৎপাদন পাম

**৮.২ জীৱিকাৰ সুযোগ**

জীৱিকাৰ সুযোগসমূহ তলত দিয়াৰ দৰে চিনাক্ত কৰিব পাৰি—

* কৃষি/উদ্যানশস্য
* পশুধন
* দক্ষতা উন্নয়ন
* ঋণৰ সুবিধা
* এন টি এফ পি

**৮.৩ কৃষি আৰু উদ্যান শস্য**

**প্ৰধান বাধাবোৰ ঃ**

ক) গঁড় আৰু বনৰীয়া ম'হ আদি বন্যপ্ৰাণীয়ে খেতিপথাৰত থকা শস্য বিনষ্ট কৰে।

খ) কৃষিকাৰ্যৰ আধুনিক প্ৰযুক্তি সম্পৰ্কে জ্ঞানৰ অভাৱ।

গ) কৃষিৰ যন্ত্ৰপাতি আৰু সা-সঁজুলি হৈছে ব্যয়বহুল সামগ্ৰী আৰু এইবোৰ ক্ৰয় কৰাৰ সামৰ্থ্য কৃষকৰ নাই।

ঘ) কৃষকসকলৰ বাবে পৰ্যাপ্ত ঋণৰ বিভিন্ন সুবিধা সম্পৰ্কে সজাগতাৰ অভাৱ

**সুবিধাসমূহ ঃ**

ক)	সজাগতা সৃষ্টিত সহায়ৰ বাবে কে ভি কে (কৃষি বিজ্ঞান কেন্দ্ৰ) আৰু কৃষি বিভাগৰ দ্বাৰা ‘কৃষক দিৱস’ৰ দৰে কৰ্মসূচীৰ আয়োজন কৰা।

খ)	উন্নততৰ যন্ত্ৰপাতি ব্যৱহাৰৰ জৰিয়তে কৃষিৰ বৰ্তমান প্ৰযুক্তিৰ যান্ত্ৰিকীকৰণ

গ)	কৃষকসকলক উপকৃত কৰা ঋণ আৰু অন্যান্য সা-সুবিধা সম্পৰ্কে কৃষকক জ্ঞাত কৰাত সহায় কৰিবলৈ বেংকসমূহে কৰ্মশালা অনুষ্ঠিত কৰা উচিত। কৃষকসকলক তেওঁলোকে কিষাণ ক্ৰেডিট কাৰ্ডো দিব পাৰে। এই ব্যৱস্থাই কৃষকক বিত্তীয় ক্ষেত্ৰত সহায় কৰিব।

৮.৪	**পশুধন**

**প্ৰধান বাধাবোৰ ঃ**

ক)	পশু চিকিৎসা সেৱা আদিৰ দৰে আন্তঃগাঁথনিৰ অভাৱ।

খ)	ৰোগৰ বিস্তাৰৰ ফলত উৎপাদন হ্ৰাস পায় আৰু মৃত্যুৰ হাৰ বৃদ্ধি পায়।

গ)	সংৰক্ষিত এলেকাত প্ৰকাশ্যে পশুচাৰণৰ ফলত জৈৱ-বৈচিত্ৰ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে।

**সুবিধাসমূহ**

ক)	হাঁহ-কুকুৰা পাম উন্নয়নৰ সুবিধা

খ)	ৰোগত আক্ৰান্ত জীৱ-জন্তুৰ চিকিৎসাত সহায় কৰিবলৈ উন্নততৰ পশু চিকিৎসা সেৱা

গ)	পশুধন বীমা আদিৰ দৰে ব্যৱস্থাবোৰ সম্পৰ্কে অধিক জ্ঞান আহৰণ

৮.৫	**কাঠ ভিন্ন বন উৎপাদন** (Non Timber Forest Produce) **সম্ভাৱনীয়তা**

**প্ৰধান বাধাবোৰ ঃ**

ক)	জ্ঞানৰ অঅভাৱৰ কাৰণে উৎপাদিত সামগ্ৰীৰ উপযোগিতাৰ ব্যৱহাৰ হোৱা নাই।

খ)	প্ৰক্ৰিয়াটোত বজাৰ সংযোগৰ অভাৱ।

গ)	অধিকাংশ এন টি এফ পিৰ ঔষধি গুণ সম্পৰ্কে সম্প্ৰদায় জ্ঞাত নহয়।

**সুবিধাসমূহ**

ক)	এন টি এফ পিৰ বিবিধ প্ৰকাৰৰ উপযোগিতা সম্পৰ্কে উন্নততৰ সজাগতা কৰ্মসূচী গঢ়ি তোলা

খ)	কিছুসংখ্যক উৎপাদিত সামগ্ৰীক বাণিজ্যিকীকৰণ প্ৰক্ৰিয়াৰ বাবে ব্যৱহাৰ কৰিব পাৰি

গ)	সম্প্ৰদায়ৰ আয়ৰ এক উৎস সৃষ্টিত এন টি এফ পিয়ে সহায় কৰিব।

৮.৬	**বিশেষ দক্ষতা**

**প্ৰধান বাধাবোৰ ঃ**

ক)	উন্নততৰ দক্ষতা গঢ়ি তোলাত উদগনি দিয়াৰ বাবে সহায় কৰিবলৈ আধুনিক যন্ত্ৰপাতি আৰু সা-সঁজুলি সহজলভ্য নহয়।

খ)	কৃষিৰ দৰে পৰম্পৰাগত দক্ষতা সম্পৰ্কে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা নাই।

গ)	উপযুক্ত বজাৰ গাঁথনিত প্ৰৱেশৰ সুবিধা নাই।

**সুবিধাসমূহ ঃ**

ক)	দক্ষতা উন্নয়ন কৰ্মসূচীত উন্নততৰ সুযোগ প্ৰদান

খ)	উপাৰ্জনৰ এক উৎস হিচাপে চিলাই কামৰ বিশেষ দক্ষতাৰ সুযোগ

গ)	জীৱিকাৰ বিকল্প উপায় হিচাপে এলেকাত নাৰ্ছাৰী উন্নয়নৰ সুবিধা

### ৮.৭ ঋণৰ সুবিধা

**প্ৰধান বাধা আৰু কাৰণসমূহ ঃ**

ক)	উপান্ত আৰু ক্ষুদ্ৰ কৃষকসকলৰ প্ৰতি ঋণদাতা সংস্থাবিলাকৰ মনোযোগৰ অভাৱ

খ)	ঋণৰ উপলব্ধ পৰিমাণ চাহিদাৰ তুলনাত এতিয়াও যথেষ্ট নহয়

**সুবিধাসমূহ**

ক)	গ্ৰামীণ এলেকাত বিত্তীয় সাহায্য দিবলৈ আৰম্ভ কৰা বিভিন্ন চৰকাৰী কৰ্মসূচীৰ ক্ষেত্ৰত উন্নততৰ সুযোগ প্ৰদান

খ)	অতিৰিক্ত বোজা জাপি নিদিয়াকৈ ঋণ দিয়া ক্ষুদ্ৰ বিনিয়োগৰ ওপৰত গুৰুত্ব প্ৰদান

### ৮.৮ কৌশলগত হস্তক্ষেপ

নিম্নোক্ত জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে ওপৰত সাৰসংক্ষেপ কৰা পৰামৰ্শমূলক কৰ্মসূচীসমূহক কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ

১)	কৃষি কামত উন্নততৰ যান্ত্ৰিকীকৰণ আৰু আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে কৃষি উৎপাদন বৃদ্ধিত সহায় কৰা

২)	দক্ষতা উন্নয়ন কৰ্মসূচীৰ সহায়ত চিলাই কাম, নাৰ্ছাৰী, হাঁহ-কুকুৰা পালন আদিৰ দৰে দক্ষতাৰ ক্ষেত্ৰত বিশেষ প্ৰশিক্ষণ প্ৰদান

৩)	এলেকাত ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলাৰ বাবে প্ৰেৰণা দিয়াৰ ওপৰত গুৰুত্ব

৪)	কৃষক আৰু অন্যান্য ক্ষুদ্ৰ উদ্যোগৰ কৰ্মীসকলক বিত্তীয় সাহায্য প্ৰদানৰ বাবে উন্নততৰ সুযোগ প্ৰদান

### ৮.৯ উপাৰ্জন বৃদ্ধিৰ কাম-কাজ

গাঁওখনত উপাৰ্জন বৃদ্ধিৰ বাবে নিম্নোক্ত কাৰ্যসূচীৰ পৰিকল্পনা কৰা হৈছে ঃ

১)	চিলাই কাম

২)	জৈৱিক খেতি

৩)	দুগ্ধ উৎপাদন প্ৰকল্প

৪)	হাঁহ-কুকুৰা পালন

৫)	নাৰ্ছাৰী উন্নয়ন

### ৮.১০ আত্মসহায়ক গোটৰ কাৰ্যসূচী

গাঁওখনৰ আত্মসহায়ক গোটসমূহে নিম্নোক্ত কাম-কাজৰ বিষয়ে পৰিকল্পনা কৰিব পাৰে—

১)	চিলাই কাম

২)	নাৰ্ছাৰী উন্নয়ন

### ৮.১১ শিক্ষামূলক ভ্ৰমণ (Exposure Trips)

শিক্ষামূলক ভ্ৰমণৰ বাবে তলৰ পৰিকল্পনাসমূহ কৰা হৈছে—

১)	উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতৰ অন্য ৰাজ্যৰ নিৰ্দশনমূলক কাম/পৰিৱেশ উন্নয়ন সমিতিৰ পৰিকল্পনা গ্ৰহণ

২) ট্ৰাইফেড (TRIFED)ৰ দ্বাৰা আয়োজিত বিভিন্ন প্ৰদৰ্শনী আৰু 'সৰস' (SARAS)ৰ দৰে মেলা আদিত অংশগ্ৰহণ

### ৮.১২ সংপৃক্তকৰণ

পৰিকল্পিত পদক্ষেপসমূহ ভাৰত চৰকাৰৰ তলত উল্লিখিত আঁচনিসমূহেৰে সংপৃক্ত কৰিব পাৰি ঃ

ক) ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি (National Rural Employment Guarantee Scheme) — গ্ৰামাঞ্চলত নিয়োগৰ কাৰণে

খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikas Yojana) — কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বিকাশৰ বাবে।

গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চন যোজনা (Rashtriya Krishi Sinchay Yojana) — জন বিভাজিকাৰ উন্নয়নসহ জলসিঞ্চনৰ বাবে

ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihoods Mission)

ঙ) দক্ষতা উন্নয়ন আঁচনি (Skills Development Schemes)

চ) প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা (Prime Minister Ujjwala Yojana)

ছ) ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান (NRHM)

জ) ৰাষ্ট্ৰীয় বাঁহ মিছন (অভিযান) (Bamboo Mission)

ঝ) উপযুক্ত হিচাপে বিবেচিত গাঁও উন্নয়ন আৰু জীৱিকা উন্নয়নৰ বাবে অন্যান্য আঁচনি।

ওপৰত উল্লেখ কৰা সম্পৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহক সহায় কৰাৰ উপৰি ৰূপায়ণৰ পিছৰ পৰ্যায়ৰ পৰিকল্পিত কাম-কাজতো সহায় কৰিব।

## ৯। খোলাভূএগ্ৰা পৰিৱেশ-উন্নয়ন সমিতিৰ বন উন্নয়ন পৰিকল্পনা

খোলাভূএগ্ৰা পৰিৱেশ-উন্নয়ন সমিতিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও পৰ্যায়ত বিতং পি আৰ এ অনুশীলনৰ পিছত এই বন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ লগতে সম্প্ৰদায়ৰ জীৱন নিৰ্বাহৰ বাবে আৱশ্যকীয় চাহিদাবোৰ স্থিতিশীল উপায়েৰে পূৰণ কৰাই হৈছে এই পৰিকল্পনাৰ লক্ষ্য।

এই ক্ষুদ্ৰ পৰিকল্পনাত ৰোপিত এলেকা/ ৰোপণৰ বাবে নিৰ্ধাৰিত সম্প্ৰদায়ৰ ভূমি আৰু হাতীগড় ই ডি চিৰ দ্বাৰা অধিসূচিত বনাঞ্চল এলেকাৰ বাহিৰৰ ভূমিক এই ক্ষুদ্ৰ পৰিকল্পনাৰ বাবে বিবেচনাত ৰখা হৈছে।

ই ডি চি বনাঞ্চলৰ উপৰোক্ত উভয় বৰ্গৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

১) অতীতত বনাঞ্চল গাঁও ব্যৱস্থাপনা

গাঁৱত কোনো সুশৃংখল বন পৰিচালনা পৰিকল্পনা নাই। পৰম্পৰাগত আৰু দেশীয় জ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই এই ব্যৱস্থা চলিছে।

২) বনজ সম্পদৰ ঘৰুৱা চাহিদা

ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত স্থানীয় সম্প্ৰদায়ৰ নিৰ্ভৰতাৰ প্ৰাপ্ত তথ্য তলত তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা-১ (ক) খোলাভূএগ্ৰা ই ডি চি-ৰ প্ৰতিটো পৰিয়ালৰ বনজ সম্পদৰ ঘৰুৱা চাহিদা**

| বনজ সাম্পদৰ নাম | বৰ্তমান কেনেকৈ পূৰণ কৰা হৈছে | উৎস |
|---|---|---|
| কাঠখৰি | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | বসতি এলেকা আৰু বজাৰ | বসতি এলেকা আৰু বজাৰ |
| সা-সঁজুলিৰ বাবে সৰু কাঠ | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল |

| | | |
|---|---|---|
| খুঁটা / বাঁহ | বসতি এলেকা আৰু বজাৰ | বসতি এলেকা আৰু বজাৰ |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল |
| কাঠ ভিন্ন বন উৎপাদন | বসতি এলেকা আৰু বজাৰ | বসতি এলেকা আৰু বজাৰ |
| অন্যান্য (মাছ) | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল | বসতি এলেকা/বজাৰ আৰু বনাঞ্চল |

**উৎস ঃ** বন বিভাগৰ কৰ্মী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

**তালিকা— ১ (খ) ঃ খোলাভূঞা ই ডি চি-ৰ সকলো পৰিয়ালৰ বন উৎপাদনৰ মুঠ ঘৰুৱা চাহিদা**

| **বনজ সাম্পদৰ নাম** | **সম্প্ৰদায়ৰ প্ৰয়োজন (বাৰ্ষিক কিঃ গ্ৰাঃ)** | **মন্তব্য** |
|---|---|---|
| কাঠখৰি | | |
| ঘৰৰ বাবে কাঠ | | |
| সা-সঁজুলিৰ বাবে সৰু কাঠ | | |
| খুঁটা / বাঁহ | | |
| বনাঞ্চলৰ পৰা পশুখাদ্য | | |
| কাঠ ভিন্ন বন উৎপাদন | | |
| অন্যান্য (মাছ) | | |

### ৯.২ ঃ বন সুৰক্ষা বিষয়

### ৯.২.১ ঃ সুৰক্ষা সমস্যা

খোলাভূঞা ই ডি চি-ৰ বন সুৰক্ষাৰ বিষয়সমূহৰ সাৰাংশ তলত দিয়া হ'ল—

**তালিকা ২ ঃ খোলাভূঞা ই ডি চিৰ সুৰক্ষা সমস্যা**

| **সমস্যাৰ প্ৰকাৰ** | **প্ৰাসংগিকতা (হয়/নহয়)** | **গুৰুত্ব (হয়/ নহয়)** |
|---|---|---|
| পশুচাৰণ— স্থানীয় জন্তু | হয় | হয় |
| পশুচাৰণ— অন্য এলেকাৰ জন্তু | নহয় | নহয় |
| অবৈধভাৱে কাঠকটা | নহয় | |
| কাঠৰ চোৰাং বেহা | নহয় | |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | নহয় | |
| বনভূমিত বেদখল | নহয় | |
| অন্যান্য | — | — |

**উৎস ঃ** বন বিভাগৰ কৰ্মী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল, উপৰ্য্যুক্ত ই ডি চি সন্মুখীন হোৱা বন সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয়বোৰ এনেধৰণৰ—

ক) পশুচাৰণ— স্থানীয় জন্তু

**৯.২.২ঃ বনাঞ্চল ধ্বংসৰ কাৰণসমূহ**

খোলাভূএগ্রা ই ডি চিত সমূহীয়া চৰণীয়া পথাৰ নথকাত পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যত অত্যধিকভাৱে পশুচাৰণৰ ঘটনা ঘটিছে।

**৯.৩ ঃ বন উন্নয়ন পৰিকল্পনাৰ উপাদান**

**৯.৩.১ ঃ সুৰক্ষা পৰিকল্পনা**

নিম্নোক্ত উপ-অধ্যায়ত খোলাভূএগ্রা ই ডি চিৰ বন উন্নয়ন প্ৰধান প্ৰধান উপাদানৰ বিষয়ে আলোচনা কৰা হৈছে। এইবোৰ হৈছে গঁড়ৰ চোৰাং চিকাৰ দমনৰ পৰিকল্পনা, নাৰ্ছাৰী উন্নয়ন, মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত হ্ৰাস, গাঁৱৰ বাবে চৰণীয়া পথাৰৰ পৰিকল্পনা আৰু পৰিৱেশ পৰ্যটন পৰিকল্পনা।

**৯.৩.২ ঃ সুৰক্ষা পৰিকল্পনা গঁড়ৰ চোৰাং চিকাৰ দমন পৰিকল্পনা**

সুৰক্ষা পৰিকল্পনা দুটা ভাগত বিভক্ত কৰা হৈছে। যেনে বন্যপ্ৰাণী সুৰক্ষা আৰু দ্বিতীয়, পশুচাৰণ আৰু চোৰাং গঁড় চিকাৰ নিয়ন্ত্ৰণৰ বাবে বন সুৰক্ষা। গঁড়ৰ চোৰাং চিকাৰ দমনৰ বাবে ই ডি চিৰ সদস্যসকল উন্নত তথ্য নেটৱৰ্ক গঢ়ি তুলিব লাগিব।

**বন্যপ্ৰাণী সুৰক্ষা ঃ**

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাবোৰ সম্পৰ্কে সুৰক্ষা পৰিকল্পনাত তলত আলোচনা কৰা হৈছে। বন বিভাগে গাঁৱৰ শস্য সুৰক্ষাত জড়িত স্থানীয় যুৱকসকলক লৈ স্থানীয় সুৰক্ষা স্কোৱাড গঠন কৰিব লাগিব। তেওঁলোকক টৰ্চ, বেটাৰী আদি সা-সঁজুলি প্ৰদান কৰিব লাগিব। অৱশ্যে এই ক্ষেত্ৰত থকা কেতবোৰ সমস্যা হৈছে—

(১) প্ৰশিক্ষণ আৰু দক্ষতাৰ সমস্যা

(২) বৈজ্ঞানিক পদ্ধতি আৰু উপকৰণৰ অভাৱ

সেয়েহে ওপৰত উল্লিখিত সমস্যাৰ পৰিপ্ৰেক্ষিতত নিম্নোক্ত পৰামৰ্শসমূহ আগবঢ়োৱা হৈছে—

(১) ন্যূনতম মজুৰি/মাননী আদায় দিয়াৰ ব্যৱস্থা বলৱৎ কৰিব লাগিব

(২) স্কোৱাডক গাঁওৰক্ষী বাহিনী (ভিলেজ ডিফেন্স পাৰ্টি)ৰ দৰে গঠন কৰিব লাগিব

(৩) স্কোৱাডক জোতা, ৰেইনকোট, টৰ্চ, বেটাৰী আদিৰে সু-সজ্জিত কৰিব লাগিব

(৪) স্থানীয় সুৰক্ষা বাহিনীৰ বাবে নিয়মিতভাৱে প্ৰশিক্ষণ আৰু উদগনিমূলক শিবিৰ অনুষ্ঠিত কৰিব লাগিব।

(৫) ই ডি চিয়ে প্ৰতিমাহত স্থানীয় সুৰক্ষা বাহিনীৰ যুৱকসকলৰ প্ৰদৰ্শন আৰু কামকাজ পৰ্যবেক্ষণ কৰিব লাগিব।

**বন সুৰক্ষা ঃ**

পি আৰ এত প্ৰকাশ পোৱামতে সম্প্ৰদায়সমূহ তেওঁলোকৰ কাঠৰ দৈনন্দিন চাহিদাৰ বাবে বনাঞ্চলৰ ওপৰত অভয়াৰণ্যৰ ওপৰত নিৰ্ভৰশীল নহয়। কিন্তু গ্ৰীণ হাউছ গেছ নিৰ্গমন আৰু তেওঁলোকৰ চাহিদা পূৰণৰ বাবে নিম্নোক্ত পদক্ষেপবোৰ ল'ব লাগিব—

(১) ই ডি চিয়ে উপযুক্ত অনাময় আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ বিষয়ে ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগিব।

(২) সকলো ই ডি চি পৰিয়ালক ৰন্ধনৰ বাবে বিকল্প উৎস যেনে গোবৰ গেছ, সৌৰ চুলা, এল পি জি আদি প্ৰদান কৰিব লাগিব।

(৩) সকলো ই ডি চি পৰিয়াললৈ পোহৰৰ বাবে বিকল্প শক্তিৰ উৎস, যেনে সৌৰ, বতাহ চালিত/হাইব্ৰীড ব্যৱস্থা যোগান ধৰিব লাগিব।

(৪) লাহে লাহে পশুচাৰণৰ হেঁচা হ্ৰাস কৰিব লাগিব (গাঁৱত চৰমীয়া পথাৰ)।

(৫) ই ডি চিয়ে বন্যপ্ৰাণী সুৰক্ষা (সুৰক্ষা) আইন, ১৯৭২ সম্পৰ্কে ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগিব আৰু এই আইন ভংগৰ ঘটনা ঘটিলে উপযুক্ত কৰ্তৃপক্ষক জনাব লাগিব।

(৬) উদ্যান এলেকাৰ ভিতৰত মাছ ধৰা আৰু অন্যান্য যিকোনো বেআইনী কামকাজ সম্পূৰ্ণভাৱে বন্ধ কৰিবলৈ কঠোৰ বিধি নিষেধ বলৱৎ কৰিব লাগিব।

(৭) অভয়াৰণ্যৰ ভিতৰত গছকটা বন্ধ কৰাটো ই ডি চিয়ে নিশ্চিত কৰিব লাগিব।

(৮) সমূহীয়া বন পুনৰ গঠনৰ (Restocking) ই ডি চিয়ে সক্রিয়ভাৱে অংশগ্রহণ কৰিব লাগিব।

**বসতিস্থান উন্নয়ন পৰিকল্পনা ঃ**

ঘাইকৈ এশিঙীয়া গঁড়ৰ বাবেই এই উদ্যান প্ৰসিদ্ধ। তদুপৰি, গঁড়ৰ দৰে বনৰীয়া ম'হ, খাগৰি পহু, বনগাহৰি আদিৰ বিভিন্ন প্ৰকাৰৰ বন্যপ্ৰাণীৰো বাসস্থান এই উদ্যান। লগতে বগলী, কণামুচৰি, গংগা চিলনী, ক'লা ডিঙিৰ সৰু ধনেশ, কনুৱা, ভেল্লা, শামুকভঙা, হাড়গিলা, সাপকটা, ঈগল আদি চৰাইকো বিপুল সংখ্যাত এই অভয়াৰণ্যত দেখা পোৱা যায়। ই ডি চিৰ সহায়ত নিম্নোক্ত বসতি উন্নয়ন কাৰ্যৰ পৰামৰ্শ আগবঢ়োৱা হৈছে ঃ

(১) বনাঞ্চলিক বিষয়াৰ অনুৰোধ ক্ৰমে বনাঞ্চল এলেকাত অপতৃণ চাফাই আৰু বালি আঁতৰোৱাৰ কামত ই ডি চিৰ সদস্যসকলে অংশগ্ৰহণ কৰিব আৰু যেতিয়াই যথোপযুক্তভাৱে ধন উপলব্ধ হ'ব তেতিয়াই আদায় দিয়া হ'ব।

(২) বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত পশুচাৰণ সম্পূৰ্ণভাৱে বন্ধ কৰাৰ বাবে ই ডি চিৰ সদস্যসকল সচেতন হ'ব লাগিব।

**নাৰ্চ্চাৰী উন্নয়ন পৰিকল্পনা ঃ**

বনানিকৰণৰ বাহিৰে নাৰ্চ্চাৰী হৈছে জীৱন নিৰ্বাহৰ এক উৎকৃষ্ট পন্থা। ইয়াৰ বাবে ল'বলগীয়া পদক্ষেপ এনেধৰণৰ ঃ

১) পৰিৱেশ-উন্নয়ন সমিতিয়ে পুলি উৎপাদনৰ বাবে ০.২৫ হেক্টৰ নাৰ্চ্চাৰী স্থাপন কৰিব লাগে

২) প্ৰতিটো পুলি সমীপৰ সংমণ্ডলত ৫-৮ টকা দৰত আৰু তাতকৈও কিছু অধিক দৰত আন ঠাইত বিক্ৰী কৰিব পাৰে

৩) নাৰ্চ্চাৰীত ফলৰ গছ, গুৰুত্বপূৰ্ণ উদ্ভিদ আৰু ঔষধি গছৰ পুলি উৎপাদন কৰিব লাগে

**আৰ্দ্ৰভূমি সংৰক্ষণ পৰিকল্পনা ঃ**

পবিতৰা অভয়াৰণ্য হৈছে বৈচিত্ৰ্যপূৰ্ণ উদ্ভিদ আৰু প্ৰাণীসহ আৰ্দ্ৰভূমি পৰিৱেশতন্ত্ৰৰ এক অভিনৱ স্থান। এই অভয়াৰণ্য হৈছে গঁড় আৰু এছীয় প্ৰজাতিৰ বনৰীয়া ম'হ আদিৰ প্ৰধান বাসস্থান। তদুপৰি, এই অভয়াৰণ্যই জলবিহাৰকাৰী দেশীয় চৰাই আৰু পৰিভ্ৰমী চৰাইৰ বাহ আৰু আশ্ৰয়ৰ স্থানো হৈ পৰিছে।

অৱশ্যে এই অভিনৱ আৰ্দ্ৰভূমি পৰিৱেশতন্ত্ৰ কেইবাটাও সমস্যাৰো মুখামুখি হৈছে। ব্যাপক হাৰত আৰু বালি আৰু পানী মেটেকাই জলাশয়বোৰ আবদ্ধ কৰি পেলোৱাত আৰ্দ্ৰভূমিৰ গভীৰতা আৰু আয়তন সংকুচিত হৈ আছে।

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ বাহিৰত থকা আৰ্দ্ৰভূমি সংৰক্ষণৰ বাবে নিম্নোক্ত পৰামৰ্শসমূহ আগবঢ়োৱা হৈছে ঃ

(১) গাঁও এলেকাৰ জলাশয়বিলাকৰ পৰা যথোপযুক্তভাৱে বা লি নিষ্কাশন কৰিব লাগিব।

(২) গাঁৱৰ আৰ্দ্ৰভূমিত কেৱল দেশীয় প্ৰজাতিৰ মাছ পালন কৰিব লাগিব।

(৩) স্প্ৰিংকলাৰ জলসিঞ্চনৰ ব্যৱহাৰ কৰিব লাগিব।

(৪) জৈৱিক সাৰ ব্যৱহাৰৰ জৰিয়তে কম পানীত খেতি কৰিব পৰা শস্যৰ খেতি।

(৫) বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত ই ডি চিয়ে মাছ ধৰিবলৈ দিব নালাগে।

(৬) আৰ্দ্ৰভূমিৰ পৰিৱেশতন্ত্ৰৰ বিভিন্ন দিশ সম্পৰ্কে ব্যাপকভাৱে গৱেষণা কৰা।

**মানুহ-বন্যপ্ৰাণীৰ সংঘাত হ্ৰাসৰ পৰিকল্পনা ঃ**

হাতী, বনৰীয়া ম'হ, বনগাহৰি আৰু অন্যান্য জন্তুৰ উপদ্ৰৱ হৈছে সচৰাচৰ ঘটি থকা ঘটনা। বন্যপ্ৰাণীৰে হোৱা অকস্মাৎ সংঘাতৰ ফলত মানুহৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি কৰিছে। বন্যপ্ৰাণী-মানুহৰ সংঘাতৰ পৰিস্থিতি দূৰ কৰিবলৈ নিম্নোক্ত পৰামৰ্শসমূহ আগবঢ়োৱা হৈছে ঃ

